নিৰ্মল হালৈ মহাবিদ্যালয়ৰ
বাৰ্ষিক মুখপত্ৰ




প্ৰচ্ছদ ● তপন ৰয়


Nirmal Haloi College
Estd. 1979
Patacharkuchi Barpeta

Nirmal Haloi College Library
Estd. 1979
Acc. No. 20
Date
Patacharkuchi Barpeta

প্ৰাগজ্যোতি

# নিৰ্ম্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখ-পত্ৰ

পাটাছাৰকুছি

Nirmal Haloi College Estd. 1978 Patacharkuchi

অন্তৰ ভৰা প্ৰীতি আৰু শ্ৰদ্ধা সহকাৰে--

শ্ৰী ... ... ... ... ... ... ... ... ... ... ... ... ... ৰ হাতত।

শ্ৰীতপন ৰয়

সম্পাদক ঃ প্ৰাগজ্যোতি।

সম্পাদক ঃ

শ্ৰীতপন ৰয়।

তত্বাৱধায়ক ঃ

শ্ৰীকিশোৰ কুমাৰ শৰ্ম্মা।

❀ বেটুপাত—

সম্পাদক আৰু তত্ত্বাৱধায়ক ।

❀ বেটুপাতৰ তাৎপৰ্য্য—

ধৰ্ষিতা পৃথিৱী ।

❀ অঙ্গ সজ্জা—

সম্পাদনা সমিতি ।

❀ মুদ্ৰণ—

মহাবাহু প্ৰিণ্টাৰ্চ, পাটাছাৰকুছি ।

# প্ৰাগজ্যোতি

## সম্পাদনা সমিতি

১৯৯২—৯৩ ইং

**সভাপতি :**

ডঃ ৰমেশ চন্দ্ৰ শৰ্ম্মা, অধ্যক্ষ ।

**তত্ত্বাৱধায়ক :**

শ্ৰীকিশোৰ কুমাৰ শৰ্ম্মা ।

**সম্পাদক :**

শ্ৰীতপন ৰয় ।

**সদস্য / সদস্যা :**

শ্ৰীযুত মনোজ শৰ্মা — অধ্যাপক ।
শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী, ”
শ্ৰীনিৰ্মল শইকীয়া, ”
শ্ৰীযুত অনিল মজুমদাৰ, ”
শ্ৰীভবেশ দাস, ছাত্ৰ
শ্ৰীনিৰঞ্জন দাস, ”
শ্ৰীপাৰিজাত দাস, ছাত্ৰী

## কৃতজ্ঞতাৰ শৰাই যাচিছোঁ এইসকললৈ

অধ্যক্ষ ডঃ ৰমেশ চন্দ্ৰ শৰ্মা।

বেটুপাতৰ পৰিকল্পনাত সহায় আগবঢ়োৱা —

শ্ৰীযুত কিশোৰ কুমাৰ শৰ্ম্মা।

প্ৰাগজ্যোতি সমৃদ্ধ কৰাৰ অৰ্থে লিখা প্ৰেৰণাৰে ধন্য কৰা সমুহ

সাহিত্য সেৱী।

মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী মণ্ডলী।

ছাত্ৰ একতা সভাৰ সমুহ সদস্য / সদস্যা।

আলোচনী সম্পাদনা সমিতিলৈ।

মহাবাহু প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দলৈ।

সহপাঠী বন্ধু / বান্ধৱী সকল।

সৰ্ব্বশ্ৰী ভবেশ দাস, গৌতম ৰয়, সুভাষ দাস, নৱশৰ্মা, গিৰিণ ডেকা বিবেকানন্দ দাস, হেমন্ত ৰয়, ধীৰাজ শৰ্মা, হিৰামনি ডেকা, ভৱানী হালৈ, প্ৰতিভা দেৱী, মোহিনী কলিতা, সাৱিত্ৰী বৰা

প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমুহ সতীৰ্থলৈ।

সম্পাদক—

## উৎসৰ্গা

সম্প্ৰাসবাদ, ভাত্ৰিঘাটি আন্দোলন ধৰ্মীয় মৌলবাদত

বলি হোৱা সহস্ৰ নিৰীহ দেশ বাসীলৈ।

মধ্যপ্ৰদেশৰ লাটুৰ আৰু কিলাড়িত,

১৯৯২ চনৰ প্ৰৱল ভূই-কঁপত

প্ৰাণ হেৰুৱা অজস্ৰ

জনলৈ।

Nirmal Haloi College
Estd. 1978
...chal

# ১৯৯২-৯৩ ইং চনৰ মহাবিদ্যালয়ৰ

## ছাত্ৰ-একতা সভ ৰ

### সদস্য / সদস্যা সকল—

(১) শ্ৰীভৰেশ পাঠক, সাধাৰণ সম্পাদক : ছাত্ৰ একতা সভা

(২) শ্ৰীবিপুল ৰয়, সহঃ সাধাৰণ সম্পাদক ।

(৩) শ্ৰীতপন ৰয়, আলোচনী সম্পাদক ।

(৪) শ্ৰীহৰিনাৰায়ণ শৰ্মা, সম্পাদক : সাংস্কৃতিক বিভাগ ।

(৫) শ্ৰীবকুল দাস, সম্পাদক : গুৰুখেল বিভাগ ।

(৬) শ্ৰীসমিন দাস, সম্পাদক : লঘুখেল বিভাগ ।

(৭) শ্ৰীমঞ্জুৰামচিয়াৰি, সম্পাদিকা : তৰ্ক আৰু আলোচনা বিভাগ ।

(৮) শ্ৰীহেমাঙ্গ বায়ন, সম্পাদক : ছাত্ৰ জিৰণি কোঠা ।

(৯) মিচ্ মিনাৰা খাটুন, সম্পাদিকা : ছাত্ৰীজিৰনী কোঠা ।

(১০) শ্ৰীবিকুল দাস, সম্পাদক : সমাজ সেৱা ।

(১১) শ্ৰীধিৰাজ শৰ্মা, শ্ৰেণী প্ৰতিনিধি : স্নাতক ৩য় বৰ্ষ ।

(১২) শ্ৰীধনমনি শৰ্মা, „ „ : „ ২য়বৰ্ষ ।

(১৩) শ্ৰীকৰ্ণ কলিতা, ” ” : ” ১ম বৰ্ষ ।

(১৪) শ্ৰীহেমন্ত দাস, উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ ।

(১৫) শ্ৰীৰাজীৱ শৰ্মা, উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ ।

—+—

## ১৯৯২-৯৩ ইং চনৰ তত্বাৱধায়ক মণ্ডলী—

(১) শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী, প্ৰৱক্তা সংস্কৃত বিভাগ
তত্বাৱধায়ক ছাত্ৰ একতা সভা ।

(২) শ্ৰীযুত কিশোৰ কুমাৰ শৰ্মা, প্ৰৱক্তা ইংৰাজী বিভাগ
তত্বাৱধায়ক আলোচনী বিভাগ ।

(৩) শ্ৰীযুত হেমন্ত শীল, প্ৰৱক্তা ৰাজনীতি বিজ্ঞান বিভাগ
তত্বাৱধায়ক সাংস্কৃতিক বিভাগ ।

(৪) শ্ৰীযুত তৰুণ চন্দ্ৰ ভাগৱতী, প্ৰৱক্তা ইতিহাস বিভাগ
তত্বাৱধায়ক গুৰু ঘুল আৰু খেল বিভাগ

(৫) শ্ৰীযুত প্ৰণৱ দাস, প্ৰৱক্তা ইতিহাস বিভাগ
তত্বাৱধায়ক তৰ্ক আৰু আলোচনা বিভাগ ।

(৬) শ্ৰীযুত মানিক দাস, প্ৰৱক্তা দৰ্শন বিভাগ
তত্বাৱধায়ক ছাত্ৰজিৰণি কোঠা ।

(৭) শ্ৰীমতী গীতাশ্ৰী গোস্বামী, প্ৰৱক্তা শিক্ষা বিভাগ
তত্বাৱধায়িকা ছাত্ৰী জিৰণি কোঠা ।

(৮) শ্ৰীযুত নিৰ্মল শইকীয়া, প্ৰৱক্তা ৰাজনীতি বিজ্ঞান বিভাগ
তত্বাৱধায়ক সমাজ সেৱা বিভাগ ।

—+—

Haloi College
Recd — 1979
No 20
Date
Barpeta

## —সূচীপত্ৰ—

সম্পাদকীয়—
সম্পাদকীয় প্ৰতিবেদন ঃ

কবিতা মালঞ্চ ঃ

মোৰ দেশ মোৰ প্ৰেমৰ কবিতা ঃ শ্ৰীঅচ্যুত কুমাৰ ভূঞা ॥ এটি কবিতাৰ জন্ম ঃ বাবুল হুছেইন ॥ কালৰ সোঁত ঃ প্ৰতিভা দেৱী ॥ অতনুৰা ঃ ভৱাণী হালৈ ॥ আমি বিপ্লৱ কৰিম ঃ ধনমণি শৰ্ম্মা ॥ প্ৰত্যাহ্বান সময়ৰ ঃ জিতেন গোস্বামী ॥ মোৰ মন যায় ঃ ফুকন মেধি ॥ আহ্বান ঃ হেমাংগ বায়ন ॥ আশাৰ সপোন ঃ বকুল দাস ॥ মাজ নিশা ঃ ফনিধৰ শৰ্ম্মা ॥ প্ৰতিশ্ৰুতি ঃ মঃ আকবৰ আলী ॥ জীৱন স্বপ্ন ঃ মনোৰঞ্জন পাঠক ॥ চঞ্চল মন ঃ চানক্য দাস ॥ অসম মাতৃ ঃ হৰেকৃষ্ণ কলিতা ॥ মই আৰু নাঙঁখলি ঃ মিচ্‌ ডলিমণি দাস ॥ কেইটিমান কবিতা ঃ সুনীল কুমাৰ দাস ॥ আশাৰ ৰেঙণি ঃ নৱ কুমাৰ শৰ্ম্মা ॥ মোক তুমি নামাতিবা ঃ মহানন্দ নাথ ॥ হেৰোৱা প্ৰতিশ্ৰুতি ঃ মিচ্‌ প্ৰণিতা দেৱ চৌধুৰী সভ্যতা আৰু প্ৰগতি ঃ প্ৰদীপ কুমাৰ শৰ্ম্মা ॥ নিৰুপায় ঃ হৰিনাৰায়ণ শৰ্ম্মা ॥ আহ্বান ঃ মিচ্‌ মঞ্জু ৰামছিয়াৰী ॥ নিগ্ৰোৰ নৈৰ স্মৃতি ঃ নিজৰা দত্ত ॥ অজান পথ ঃ ৰঞ্জিত দাস ॥ এখন দেশতে ঃ ৰঞ্জিত দাস ॥

প্ৰবন্ধমালাঃ

যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা ঃ ৰুদ্ৰ কলিতা ॥ শিক্ষানুষ্ঠানত পৰিৱেশৰ প্ৰভাৱ আৰু প্ৰদূষণ ঃ বিনোদ দেৱ চৌধুৰী ॥ অসমীয়া নাট আৰু মহাপুৰুষ শংকৰদেৱৰ ইয়াত প্ৰভাৱ ঃ নৱ কুমাৰ শৰ্ম্মা ॥ সাংস্কৃতিক জগতত জ্যোতি প্ৰসাদৰ অৱদান ঃ অমূল্য কুমাৰ কলিতা ॥ এৰিষ্টটলৰ ট্ৰেজেডিৰ দৃষ্টিভঙ্গীৰে হাজৰিকাৰ পৌৰাণিক নাটক নৰকাসুৰ ঃ এটি আলোচনা ঃ অনিল চন্দ্ৰ মজুমদাৰ ॥

গল্প-গুচ্ছ ঃ

আশাৰ ৰংঘৰ ঃ হৰিনাৰায়ণ শৰ্ম্মা ॥ সেন্দুৰ-তপন চন্দ্ৰ শৰ্ম্মা ॥
প্ৰতিজ্ঞা ঃ সুভাষ দাস ॥ অতৃপ্ত আত্মাৰ বিননী ঃ তপন ৰয় ॥

১৯৯২-৯৩ চনৰ মহাবিদ্যালয় সপ্তাহৰ বিভাগীয় প্ৰতিযোগিতাৰ ফলাফল ঃ

তেওঁৰ সাহিত্যিক প্ৰতিভাৰে গোটেই
সাহিত্য জাতীয় একতাৰ ভেটি মহা কবি শেক্সপিয়েৰে মহাপুৰুষ শংকৰ আৰু মাধৱদেৱৰ সাহিত্যই
ইংৰাজ জাতিক একেডাল ডোলেৰে বান্ধি থৈ গৈছে। সু-সাহিত্যিকৰ সাহিত্যৰ জৰিয়তে
সেইদৰে অসমীয়া জাতিক চিৰকাল এক আৰু অভিন্ন কৰি ৰাখিব। পৃথিৱীৰ প্ৰত্যেক
জাতিয়ে শ শ বাধা বিঘিনি নেওচি উন্নতিৰ পথত থিয় দিবলৈ প্ৰেৰণা পায়। সেই সন্ধিক্ষণত উদ্ধাৰ পাবৰ
জাতিয়ে সময়ে সময়ে একোটা বিষম সন্ধিক্ষণত উপস্থিত হব লগা হয়। প্ৰাণস্পৰ্শী সাহিত্য।
সমল হৈছে সেই সময়ৰ প্ৰতিভাশালী লিখক সকলৰ লিখনিৰ পৰা উদ্ভৱ হোৱা এই তিনিটাৰ সম্পৰ্ক অঙ্গাঙ্গী। লেখক
কোৱা নিষ্প্ৰয়োজন যে লেখক, পাঠক আৰু সমালোচক ৰাব আদৰ্শ লেখকৰ। তেওঁলোকে
শ্ৰষ্টা। জীৱনৰ সামগ্ৰীক ৰূপ আৰ্টৰ মাধ্যমেৰে প্ৰতিফলিত কৰাৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য কৰি লিখিব লাগে।
লিখে সমাজৰ কাৰণে। গতিকে লেখকে সমাজৰ
ৰসোত্তীৰ্ণ সাহিত্যক সমাজে গ্ৰহণ কৰে। অৰ্দ্ধশাৰী বা নিৰাশসাৰী। এওঁলোকে সাধাৰণতে
পাঠক আচলতে সমাজ। আমাৰ সমাজ লোক বিশ্বাস এইবোৰৰ ওপৰত তেওঁলোকৰ
লোকবিশ্বাসৰ দ্বাৰা পৰিচালিত হয়। লোক নীতি এওঁলোকৰ প্ৰিয়বস্তুৰ মাধ্যমেৰে
আস্থা গভীৰ। সাহিত্যৰ প্ৰতি এওঁলোকক আকৰ্ষিত কৰিব লাগিলে এওঁলোকৰ মনত থকা অন্ধ পৰম্পৰা
কৰিব লাগিব। কিন্তু চাব লাগিব যাতে এই কৌশলৰ দ্বাৰা যায়। বৰ্তমান বহল বিশ্বৰ প্ৰায়
প্ৰীতিৰ সলনি ভবিষ্যত মুখী নতুন পৰম্পৰাৰ প্ৰতি আকৃষ্ট কৰিব পৰা প্ৰতি আকৃষ্ট কৰাৰ এক নিৰবিচ্ছিন্ন
সকলো সমাজৰ প্ৰগতিশীল লেখক সকলে পাঠক সমাজক নতুনত্বৰ প্ৰয়োজন। সমালো-
প্ৰচেষ্টাত ব্ৰতী। গঠন মূলক সমালোচনাৰ থুবেই
নকলেও চলে যে সাহিত্য সৃষ্টিৰ বাবে শ্ৰষ্টাৰ দেখুৱাই দিব লাগিব। লিখকে সমাজক লক্ষ্য
চকে লেখকৰ দোষ, ত্ৰুটি দেখুৱাই দি সমাজক শুদ্ধ পঠ বৈষম্য থাকিলে সমাজত সুখ নাই।
কৰি লিখিছে নে নাই। সমাজ তাৰ দ্বাৰা উপকৃত হবনে নাই। গতিকে সমালোচকে দেখুৱাই
সুখী সমৃদ্ধি হব তেতিয়া, যেতিয়া বৈষম্য হীন এখন সমাজ গঢ় লৈ উঠে। পাইছেনে নাই। যদি পোৱা
দিব সুখী সমৃদ্ধিশালী সমাজৰ বিষয়ে লিখকৰ লেখনিৰ দ্বাৰা প্ৰকাশ
নাই কি ধৰণে পাব লাগে তাক দেখুৱাই দিব সমালোচকে।
নিৰ্মল হালৈ মহাবিদ্যালয়ৰ নিছিনা এটি ক্ষুদ্ৰ অনুষ্ঠানৰ জৰিয়তে বাৰ্ষিক প্ৰকাশ এই আলোচনী-
খনে অসমীয়া সাহিত্যৰ বেদীলৈ এপাহি পুষ্প নিবেদনৰ আমাৰ এক প্ৰয়াসহে মাথোন। আলোচনীৰ
পঞ্চম প্ৰকাশৰ এই দায়িত্বভাৰ মোক অৰ্পন কৰি বিভিন্ন কথা শিকিবলৈ সুবিধাকণ দিয়াৰ বাবে মহা-
বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শুভাকাঙ্খীলৈ মোৰ সশ্ৰদ্ধেয় প্ৰণিপাত ও কৃতজ্ঞতা যাচিছো।
আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত বহুতে কৈছিল এইবাৰ নিশ্চয় আলোচনীখন
উচ্চমান বিশিষ্ট হব। সম্পাদক জনে কৰো বুলি আলোচনী এখন উচ্চমান বিশিষ্ট কৰিব জানো পাৰে।
অলঙ্কৰণ আৰু অঙ্গসজ্জাৰ নতুনত্ব আনিবলৈ যত্ন কৰিব পাৰে। কিন্তু মানদণ্ড ছাত্ৰ-ছাত্ৰী সকলৰ





সাহিত্যকৰ্মৰ ওপৰতহে মূলত নিৰ্ভৰ কৰে। গতিকে মানদণ্ডৰ বিচাৰ আপোনালোকৰ হাতত। বিভিন্ন সীমাবদ্ধতাৰ মাজত থাকিও আমাৰ শক্তিখিনিক কিছু সক্ষমভাবে কামত লগাব পাৰিছো বুলি ভাবিলেই আমাৰ কষ্টৰ সাৰ্থকতা।

পৰম্পৰা ৰীতি ভঙ্গ কৰি আলোচনীখন যথা সময়ত উলিয়াম বুলি ভাবিছিলো যদিও বিভিন্ন এৰাব নোৱাৰা অসুবিধাৰ বাবে সি হৈ নুঠিল। মোৰ কাৰ্য্যকালৰ প্ৰতিটো কামতে সৎ পৰামৰ্শ দি আৰু অশেষ কষ্ট স্বীকাৰ কৰি আলোচনীখন প্ৰকাশৰ পথত উলিয়াই অনাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত কিশোৰ কুমাৰ শৰ্মা চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। আলোচনীখনৰ বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, সম্পাদনা সমিতিৰ সমূহ সদস্য, শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দৰ শলাগ লোৱাৰ লগতে তেখেত সকলৰ সহায় মই পাহৰিব নোৱাৰিম। পৰিশেষত "প্ৰাগজ্যোতিৰ" ভিতৰ চৰাত অবাঞ্চিত ত্ৰুটিৰ বাবে আটাইৰে ওচৰত মাৰ্জনা বিচাৰি "প্ৰাগজ্যোতিৰ" দীৰ্ঘায়ু কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলো।

বিনম্ৰতাৰে—

শ্ৰীতপন ৰয়, সম্পাদক
"প্ৰাগজ্যোতি"

কৃতজ্ঞাৰে সোঁৱৰিছো এই সকলোৰে—

- অধ্যক্ষ ড: ৰমেশ কুমাৰ শৰ্মা
- বেটুপাতৰ শিল্পী শ্ৰীযুত কিশোৰ কুমাৰ শৰ্মা
- "প্ৰাগজ্যোতিক" সমৃদ্ধ কৰাৰ অৰ্থে লেখা প্ৰেৰণাৰে ধন্য কৰা সমূহ সাহিত্য সেৱি
- মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী মণ্ডল
- ছাত্ৰ একতা সভাৰ সমূহ সদস্য
- আলোচনী সম্পাদনা সমিতিলৈ
- মহাবাহু প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰীদ্বয়ৰ লগতে সমূহ কৰ্মীবৃন্দ
- সহপাঠী বন্ধু / বান্ধৱীলৈ— সৰ্ব্ব শ্ৰীভবেশ পাঠক, বকুল দাস, হেমাঙ্গ বায়ন, ভবেশ দাস, গৌতম ৰয়, সুভাষ দাস, গিৰিণ ডেকা, ধীৰাজ শৰ্মা, হেমন্ত ৰয়, প্ৰতিভা দেৱী, ভৱানী হালৈ, মালতী দাস, মোহিনী কলিতা, সাবিত্ৰী ৰবা প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ শুভাকাঙ্খিলৈ।

—সম্পাদক—
"প্ৰাগজ্যোতি"



## গুৰুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ ১৯৯২-৯৩ ইং

প্ৰতিবেদনৰ পাতনিতে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰান আহুতি দিয়া বীৰ শ্বহীদ সকলক লগতে আজীৱন পঙ্গুহৈ থকা সংগ্ৰামী বন্ধু বান্ধৱী সকললৈ মোৰ অশ্ৰু অঞ্জলী যাছিছো। লগতে ১৯৯২-৯৩ ইংৰাজী চনৰ নিৰ্বাচনত গুৰুখেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচন কৰি সেৱা কৰাৰ সুবিধা কন দিয়াৰ বাবে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ তথা ভাই-ভনীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছত মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়, আৰু এই মহাবিদ্যালয় সপ্তাহ উদ্বোধন কৰে আমাৰ অধ্যক্ষ ড: ৰমেশ চন্দ্ৰ শৰ্মা দেৱে। উদ্বোধনৰ পিছতে ভিন ভিন খেল অনুস্থিত হয় যদিও নিচেই তাকৰ সংখ্যক লৰা ছোৱালীয়ে খেলত অংশ গ্ৰহণ কৰে। ইয়াৰ মূলত খেলৰ সামগ্ৰী সমূহ নিচেই তাকৰ এইবাৰ মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ খেলুৱৈ ( ছোৱালী ) শ্ৰীগিতীকা ডেকা। মহাবিদ্যালয় সপ্তাহ শেষ হোৱাৰ পিছত আন্তঃ মহাবিদ্যালয় ক্ৰীড়া সমাৰোহৰ কাৰণে বাটছাই থাকো। বিশেষ কাৰণ বশত মোৰ কাৰ্য্যকালত আন্তঃ মহাবিদ্যালয় সমাৰোহ অনুস্থিত নহল।

খেল ধেমালী জীৱনৰ একঅপৰিহাৰ্য্য অঙ্গ বুলি কব পাৰি। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীৰ খেল ধেমালীৰ প্ৰতি যিখিনি উৎসাহ উদ্দিপনা থকাৰ দৰকাৰ সেইখিনি নাই। ইয়াৰ কাৰণ খেল ধেমালীৰ প্ৰতি থকা অৱহেলাই নহয় উপযুক্ত পৰিৱেশ আৰু খেলৰ সামগ্ৰীৰ অভাৱ। যেনে, আমাৰ মহাবিদ্যালয়ৰ মুখ্য অভাৱ খেল পথাৰ এখন নাই, গতিকে চৰকাৰৰ লগতে মহাবিদ্যালয় কতৃপক্ষলৈ মোৰ অনুৰোধ যাতে অতি সোনকালে খেল পথাৰ এখন ব্যৱস্থা কৰি দি সুবিধা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক ভৱিষ্যত প্ৰতিভা বিকাশত সহায় কৰে। তথাপিও মই





বন্ধু বান্ধৱী সকলক অনুৰোধ জনাওঁ যে তেওঁলোকে যিদৰে কামৰ মাজেৰে পঢ়া শুনা কৰে তেনেদৰে বৰ্ত্তমান সময়ত খেলক জীৱনৰ সম্পদ স্বৰূপ বুলি ভাবি খেলাৰ প্ৰতি অৱহেলা নকৰি আগুৱাই যায় যেন। তেতিয়াহে বিশ্বৰ দৰবাৰত এটা জাতি বা কোনো এখন দেশে সন্মান লাভ কৰিব পাৰিব।

সম্পাদকৰ পদত অধিস্থিত হৈ পদটো চলোৱাত মোৰ যথেষ্ঠ আসোৱাহ হৈ যাব পাৰে তাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী হৈ ৰলো। মোৰ কাৰ্য্যকাল ছোৱাত দিয়া পৰামৰ্শ আগবঢ়োৱা গুৰুখেল বিভাগৰ তত্বাবধায়ক মাননীয় শ্ৰীযুত তৰুন ভাগৱতী লগতে আন আন শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তদুপৰি সকলো কামতে সহায় সহযোগ আগবঢ়োৱা বন্ধু বান্ধৱী সৰ্বশ্ৰী, শ্ৰীভবেশ পাঠক, তপন ৰয়, হৰিনাৰায়ণ শৰ্মা, ৰমেন দাস, শৈলেন মেধি, নৱ হালৈ, সমিন দাস, গীতিকা দেৱী, চম্পা কলিতা, মিনাৰা খাতুনলৈ মোৰ আন্তৰিক ধন্যবাদ তথা মৰম যাছিলো।

সদৌশেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে খেল ধেমালীত গৌৰৱ কৰিব পাৰে আৰু লগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ মঙ্গল কামনা কৰি মোৰক্ষুদ্ৰ প্ৰতিবেদন ইয়াতে সামৰণি মাৰিলো।

"জয় আই অসম"

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

শ্ৰীবকুল দাস।

সম্পাদক, গুৰুখেল বিভাগ

নিৰ্মল হালৈ মহাবিদ্যালয়

পাটাছাৰকুছি।



লঘুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন :-

মোক লঘুখেল বিভাগৰ
প্ৰতিবেদনৰ আৰম্ভনিতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিলে সেইসকল
সম্পাদক হিচাবে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ
ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

আমাৰ মহাবিদ্যালয়ৰ লঘুখেল বিভাগৰ সম্পাদক হিচাবে মই মোৰ কাৰ্য্যকালত কিমানখিনি সফলতা
অৰ্জন কৰিলেও তাৰ বিচাৰ্যৰ ভাৰ আপোনালোকৰ হাততে এৰিলো। গতানুগতিক নিয়মেৰে "মহাবিদ্যালয়
সপ্তাহ" মোৰ কাৰ্য্যকাল ছোৱাত যে............... পৰা............... পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহ
উপলক্ষে পতা লঘুখেল বিভাগৰ অন্তৰ্গত খেল সমূহৰ বেডমিণ্টন আৰু ভলিবল প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ
অংশ গ্ৰহণে আমাক উৎসা কৰিলেও গেলৰ মানদণ্ডই আমাক তথা ক্ৰীড়ানুৰাগী ব্যক্তিসকলক বাৰুকৈয়ে
হতাশ কৰিছে। তথাপিও আমি আশাবাদী, আন এটা কথা উল্লেখ নকৰিলে মোৰ এই প্ৰতিবেদনখনি
অসম্পূৰ্ণ হৈ ৰব বুলি মই ভাবো। কথাটো হ'ল ছাত্ৰৰ তুলনাত বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰীৰ অংশ
গ্ৰহণ সচাকৈয়ে দুখ লগা বিধৰ। এই ক্ষেত্ৰত ছাত্ৰীসকলক উৎসাহীত কৰাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই
সাময়িক ব্যৱস্থা লোৱাটো আমি উচিত বুলি বিবেচনা কৰো। অৱশ্যে এইটো স্বীকাৰ্য্য যে আমাৰ
মহাবিদ্যালয়ত ভাল প্ৰতিযোগিতা এখন চলাবলৈ এখন স্থায়ি খেল পথাৰ নাই। আশাকৰো মহাবিদ্যালয়ৰ
কৰ্তৃপক্ষই এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব। মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন ক্ষেত্ৰত সৎ উপদেশ দি
মোক সহায় কৰাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীতৰুণ চন্দ্ৰ ভাগৱতী ছাৰলৈ মই কৃতজ্ঞতা
জ্ঞাপন কৰিছো। প্ৰতিযোগিতা সমূহ চলোৱাত সকলো ক্ষেত্ৰতে সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীসকললৈ
কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়
শ্ৰীসমীন দাস
লঘুখেল বিভাগ।







সমাজ সেৱা বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন ১৯৯২-১৯৯৩ইং

প্ৰতিবেদনৰ আৰম্ভনিতে চিৰ সেউজী অসমী আইৰ অস্তিত্বৰ হকে জীৱন আহুতি দিয়া জ্ঞাত অজ্ঞাত বীৰ বীৰাঙ্গনাক শ্ৰদ্ধাৰে সোঁৱৰিছো তেওঁলোকৰ মনৰ আশা পূৰ্ণ হোৱাৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

আনহাতে সমাজ সেৱাৰ নিচিনা মহৎ বিভাগ এটাৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি আপোনালোকক সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছো।

'মানুহে হৈছে পৃথিৱীৰ মস্তিষ্ক সম্পন্ন সমাজ প্ৰিয় প্ৰানী। যিহেতু মানুহে সমাজ অবিহনে জীয়াই থাকিব নোৱাৰে সেয়েহে সমাজৰ প্ৰত্যেকজন মানুহে কাম কৰাটো নিত্যান্ত প্ৰয়োজনীয় আছিল যুগত যেতিয়া মানুহে অঘৰী জীৱন যাপন কৰিছিল তেতিয়া তেওঁলোকৰ মাজত কোনো সমাজ বা পৰিয়াল নাছিল। কিন্তু ক্ৰমবিবৰ্ত্তনৰ ফল স্বৰূপে মানুহে সমাজৰ লগতে পৰিয়াল গোষ্ঠী সম্প্ৰদায় ইত্যাদিৰ সৃষ্টি কৰিবলৈ বাধ্য হল।

'সমাজ সেৱা' শিক্ষাৰ এটা অপৰিহাৰ্য্য অংগ। যিহেতু শিশু এটা জন্ম হোৱাৰ পিচৰে পৰা শিশুটোৰ স্বভাৱ চৰিত্ৰ আচাৰ ব্যৱহাৰ মাত-কথা সমাজৰ পৰা বহুখিনি নিৰ্ভৰ কৰে। অকল পুথিগত শিক্ষাৰ মাজেতে আৱদ্ধ নাথাকি সমাজ সেৱাৰ জৰিয়তে সামাজিক জীৱনৰ উৎকৰ্ষ সাধন কৰাটো সকলো ছাত্ৰ-ছাত্ৰী তথা সামাজিক লোকৰে নিত্যান্ত কৰ্ত্তব্য। সমাজ সেৱাই দেশক সভ্যতাৰ উচ্চম শিখৰলৈ আগুৱাই নিয়ে।

কাৰ্য্যকালৰ সময়তঃ— আনুষ্ঠানিক ভাবে আমাক কাৰ্যভাৰ অৰ্পণ কৰে। কাৰ্য্যভাৰ লৈয়ে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। সিমিত পুজিৰ বাবে মহাবিদ্যালয় সপ্তাহত মোৰ ফালৰ পৰা কেইটামানহে প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আৰু এই প্ৰতিযোগিতাত বহু গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। সেয়েহে এই প্ৰতিযোগিতাত যি সকল ছাত্ৰ-ছাত্ৰীয়ে উক্ত প্ৰতি-যোগিতাৰ বাবে পুৰস্কাৰ পাবলৈ সক্ষম হৈছে আনহাতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰথম, দ্বিতীয়, তৃতীয় স্থান লাভ কৰিব নোৱাৰিলে সেইসকল ছাত্ৰ-ছাত্ৰীক মোৰ ফালৰ পৰা অভিনন্দন যাচিছো। আশা ৰাখিছো ভবিষ্যতে ইয়াতকৈ ভাল পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হওঁক।

দুখৰ বিষয় যে যদিও মই সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে উক্ত দায়িত্ব লওঁ তথাপি মোৰ বিভাগৰ তত্বাবধায়ক নোহোৱাৰ বাবে অগ্ৰণী কামবোৰ কৰাত যথেষ্ঠ অসুবিধা পাওঁ। পিছত তত্বাৱধায়ক হিচাবে সন্মানীয় শিক্ষা গুৰু শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীয়ে দায়ত্বভাৰ লয়। সেয়েহে আজি মই দুখেৰে নিলিখি থাকিব নোৱাৰিলো যে মোৰ কাৰ্য্যকাল চোৱাত বহুখিনি কাম কৰিবলৈ যদিও তত্বাবধায়কৰ লগতে আৰ্থিক দিশত মই যথেষ্ঠ কষ্ট পাওঁ। যাৰ বাবে মই মহাবিদ্যালয়ত কিছুমান পৰিষ্কাৰ কৰা কামৰ বাবে এতিয়াও মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষই মোক টকা দিয়া নাই। যাৰ ফলত মই কাম কৰাৰ লগতে কৰ্মিসকলকো কাম কৰাৰ বাবদ টকা দিব লগা হৈছে। কিন্তু ইয়াৰ বিষয়ে অধ্যক্ষ তথা তত্বাবধায়কক বাৰে বাৰে অনুৰোধ কৰা স্বত্বেও ইয়াৰ প্ৰতি কোনো গুৰুত্ব লোৱা নাই। সেয়েহে মোৰ অনুৰোধ, যাতে ইয়াৰ পিছত এনেকুৱা অৰ্থাৎ সম্পাদক সকলৰ প্ৰতি অধ্যক্ষ মহোদয়ৰ লগতে তত্বাবধায়ক সকলেও যাতে মনোযোগ দিয়ে তাৰ প্ৰতি মোৰ ফালৰ পৰা আশা থাকিল ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ অনুৰোধ—

১। মহাবিদ্যালয়ৰ প্ৰত্যেক বিভাগৰ নামত ছাত্ৰ-ছাত্ৰীৰ পৰা উঠোৱা টকা সমূহ কেনেকুৱা ধৰণে খৰছ হয় তাৰ প্ৰতি লক্ষ্য ৰখাটো উচিত।

২। সমাজ সেৱা এটা ডাঙৰ বিভাগ হিচাবে মাত্ৰ বছৰেকত ৪০০'০০, ৫০০,০০ টকাৰে চলোৱাটো সম্ভৱনে বিচাৰ কৰাটো উচিত।

৩। মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষই হিচাব অনুযাই যি খিনি আৱশ্যকীয় বস্তু, যেনে— পুথিভঁড়ালৰ কিতাপ খেলৰ সামগ্ৰী উপযুক্ত জিৰণী চৰাৰ অভাৱ আনহাতে শিক্ষাৰ ভাল পৰিবেশ আদিৰ প্ৰতি মনোযোগ দিব বুলি মোৰ অনুৰোধ।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ মই সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে বিমানখিনি কৰিব পাৰিলো সেইখিনি আপোনালোকৰ ওপৰত।





মোৰ কাৰ্য্যকাল চোৱাত বিভিন্ন দিশত পৰামৰ্শ দি উপকৃত কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু মাননীয় শ্ৰীনিৰ্মল শইকীয়া, কিশোৰ শৰ্মা, তৰুণ ভাগৱতী, সদা দাস, অনিল মজুমদাৰ, মানিক দাস, প্ৰনৱ দাস, গীতশ্ৰী, মিস্বালী চৌধুৰী প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ শ্ৰদ্ধাঞ্জলী নিবেদন কৰিছো আনহাতে মোৰ অতপ্ৰত ভাৱে সহায় কৰা ছাত্ৰ-ছাত্ৰী প্ৰাক্তন সম্পাদক শ্ৰীহেমন্ত, ধীৰাজ, ৰমেন, দ্বিজেন, মামনী, ভানু, বিৰাজ, প্ৰণীতা, নিজৰা, মীৰা, ৰীনা, কৰ্ণ, ধৰনী মণিকা, মঞ্জু আদিলৈ মোৰ অভিনন্দন থাকিল।

সদৌ শেষত মোৰ কাৰ্য্যকাল চোৱাত অজানিতে ভুল ক্ৰতিৰ বাবে আতাইৰে ওচৰত ক্ষমা চাইছো আশা ৰাখিছো নিৰ্মল হালৈ মহাবিদ্যালয় সমাজ সেৱা বিভাগে বৃস্তিত আচনি গ্ৰহণ কৰি মহাবিদ্যালয়ৰ লগতে স্থানীয় অঞ্চল তথা দেশৰ প্ৰগতিত অৰিহনা জগাব।

ধন্যবাদেৰে—

শ্ৰীবিকুল দাস
সম্পাদক, সমাজ সেৱা

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়
পাটাছাৰকুছি।



## ছাত্ৰ জিৱণী কোঠাৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন ১৯৯২-৯৩ ইং চন।

প্ৰতিবেদনৰ বাট চ'ৰাত অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যি সকল শ্বহীদ হ'ল যিসকল চিৰদিনৰ কাৰণে পঙ্গু হ'ল, যি সকলে নিজৰ স্বামীক ৰণক্ষেত্ৰলৈ আগুৱাই দি শিৰৰ সেন্দুৰ মুচিব লগা হ'ল সেই সকল মহান ত্যাগীৰ আত্মালৈ মোৰ শত সহস্ৰ অশ্ৰু অঞ্জলী নিবেদিছো।

প্ৰতিবেদনৰ দ্বিতীয়াৰ্দ্ধত মই মোৰ মৰমৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীলৈ আন্তৰিক শ্ৰদ্ধা তথা এধানিমান মৰম জ্ঞাপন কৰিছো।

১৯৯২-৯৩ ইং চনৰ ছাত্ৰ জিৱণী কোঠাৰ গুৰু দায়িত্বত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ এই মহান অনুষ্ঠান থনক সেৱা কৰাৰ বাবে যিখিনি সুবিধা দিলে তাৰ বাবে কৃতজ্ঞতা স্বীকাৰ নকৰি নোৱাৰিলো। কিন্তু সফলতাৰ বাটত কিমানখিনি আগ বাঢ়িব পাৰিছো তাৰ ফলাফল আপোনালোকৰ হাতত।

১৯৯২ ইং চনৰ ১-১২-৯২ ইং তাৰিখে পূৰ্বৰ বিভাগীয় সম্পাদকৰ পৰা আনুষ্ঠানিক ভাবে কাৰ্য্যভাৰ লোৱাৰ পিছতেই নিচেই চালুকীয়া অভিজ্ঞতাৰে ২৬-১২-৯২ ইং তাৰিখৰ পৰা ৩১-১২-৯২ ইং তাৰিখলৈ চলাবলগীয়া হৈছিল আমাৰ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ"। অইন বেলিৰ দৰে এই বেলিও মহাবিদ্যালয় সপ্তাহ আমাৰ বিভাগৰ পৰা বিভিন্ন খেল-ধেমালী অনুষ্ঠিত কৰা হয়। বিগত বছৰতকৈ এইবাৰ অধিক সংখ্যক প্ৰতিযোগীয়ে প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰি যথেষ্ট পাৰদৰ্শিতা দেখুৱায়। এই খিনিতে বিভিন্ন প্ৰতিযোগীতাত পুৰস্কাৰ লাভ কৰা বিজেতাসকলৰ লগতে প্ৰতিযোগীতাত অংশ গ্ৰহণকাৰী সমূহ প্ৰতিযোগীলৈ মোৰ আন্তৰিক অভিনন্দন যাচিছো।

যি নহওক আমাৰ মহাবিদ্যালয় থনৰ সা-সুবিধা সীমিত। কিন্তু এই সীমিত সা-সুবিধাৰ মাজতো এই প্ৰতিযোগী সকলৰ মাজৰ পৰা ভাল খেলুৱৈ ওলাব বুলি মোৰ দৃঢ় বিশ্বাস। যদি উপযুক্ত সা-সুবিধা দিব পৰা যায়, নিশ্চয় প্ৰতিযোগীসকলৰ যথেষ্ট উৎসাহ উদ্দীপনা পৰিলক্ষিত হয়।





পাটাছাৰকুছি অঞ্চলৰ এই মহান মহাবিদ্যালয় থনত প্ৰায় ১৫-১৬ শ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰে। শিক্ষা গ্ৰহন কৰোঁতে ছাত্ৰ-ছাত্ৰী সকলে বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। সেয়েহে মোৰ কাৰ্য্য কালত অনুভৱ কৰা অভাৱ কিছুমান ইয়াতে উল্লেখ কৰি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অৱগত কৰিব খুজিছোঁ।

(১) ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া জিৱণী কোঠাৰ অভাৱ।
(২) মহাবিদ্যালয়ৰ, পুথিভঁড়ালৰ পুথি সমূহ নিয়মিত ভাবে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যোগান ধৰা।
(৩) খেলৰ উপযুক্ত সজুলিৰ অভাৱ।
(৪) আৱশ্যক অনুযায়ী বাতৰি কাকত, আলোচনী আদিৰ উপৰিও আন কিতাপৰ প্ৰয়োজন।

পূৰ্বৰ সম্পাদক সকলেও এই অভাৱ অভিযোগ বোৰৰ বিষয়ে কৰ্তৃপক্ষক জনাই গৈছে। কিন্তু কৰ্তৃপক্ষৰ অমনোযোগীতাৰ বাবে মহাবিদ্যালয় থনে কিছুক্ষেত্ৰত পিছ পৰি আছে। সেয়ে মইও কৰ্তৃপক্ষক আকৌ এবাৰ সোঁৱৰাই দিও যে অতি সোনকালে এই অভাৱ অভিযোগবোৰ দূৰ কৰি ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা গ্ৰহণ কৰাত সুবিধা কৰি দিয়ে যেন। মই ভাবো যদি এই অভাৱ অভিযোগবোৰ দূৰ হয় তেতিয়া এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নিশ্চয় উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব।

প্ৰতিবেদনৰ অন্তত মোৰ প্ৰতিটো কাৰ্য্যক্ষেত্ৰত উৎসাহ উদ্দীপনা যোগোৱা বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু (তত্বাবধায়ক) শ্ৰীযুত মাণিক চন্দ্ৰ দাস, শ্ৰীযুত প্ৰবোধ গোস্বামী, শ্ৰীযুত প্ৰণৱ দাস, শ্ৰীযুত হেমন্ত শীল, শ্ৰীযুত তৰুণ ভাগৱতী আৰু মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত মই চিৰ ঋণী।

মোৰ বিভাগৰ বিভিন্ন খেল সমূহ পৰিচালনা কৰি দিয়া বাবে মোৰ সহপাঠী বন্ধু সৰ্বশ্ৰীগৌতম বৰ্ম্মন, সুভাষ দাস, অমলেশ চৌধুৰী, নিতুল কুমাৰ শৰ্মা, কমলেশ্বৰ শৰ্মা আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদিছোঁ। লগতে ড'ৱা খেলখন পৰিচালনা কৰি সহায় কৰি দিয়া বাবে অগ্ৰগামী যুৱকুলৰ শ্ৰীমান ৰঞ্জিত শৰ্মাৰ শলাগ লৈছোঁ।

সদৌ শেষত সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈ লগতে সন্মানীয় শিক্ষাগুৰু বৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জনাই অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি প্ৰতিবেদন ইমানতে সামৰিছোঁ।

"জয় আই অসম"
জয় তু নিৰ্মল হালৈ মহাবিদ্যালয়
শ্ৰীহেমাংগ বায়ন।
স: ছা: জি: কোঠা।

—×—



## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ১৯৯২-১৯৯৩ইং

প্ৰতিবেদৰ আৰম্ভনিতে অসমৰ জাতীয় শ্বহীদ সকলৈ মোৰ আন্তৰিক অশ্ৰুসিক্ত শ্ৰদ্ধাৰ্ঘ্য নিৰেদিছো আৰু যি সকল লোকে নিজৰ জীৱনক তুচ্ছ কৰি জাতীয় স্বাৰ্থত আগবাঢ়ি আহি পঙ্গু জীৱনক আকোৱালি ললে, সেই সকল মহান ত্যাগীলৈ মোৰ শ্ৰদ্ধা যাচিছো।

১৯৯২-৯৩ ইং চনৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মোক সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰি সাংস্কৃতিক বিকাশৰ সেৱা আগবঢ়াব সুযোগ কন দিয়াৰ বাবে জয় জয়তে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, সকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মই নভবা নিচিন্তাকৈ কলেজৰ ভোট যুদ্ধত নামিলো আৰু সাংস্কৃতিক সম্পাদকৰ পদটো পোৱাৰ পৰা সাংস্কৃতিক বিভাগটো সৰ্ব্বাঙ্গ সুন্দৰ কৰি তুলিবলৈ নানা ধৰণৰ কল্পনা কৰিছিলো। কিন্তু নানান বেমেজালিৰ কাৰণে মই এই কামত ধনিষ্টা মানো কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলো।

সমাজ সংস্কৃতি আৰু শিক্ষা এই তিনিটা অতপ্ৰত ভাবে জড়িত। এটা অবিহনে আন এটাই বিকাশ লাভ কৰিব নোৱাৰে। সাংস্কৃতি হৈছে এই দুয়োটাৰ যোগ সূত্ৰ। সাংস্কৃতিয়ে (Culture) জাতি এটাৰ অস্তিত্ব বহন কৰি আনে। সমাজক বিভিন্ন দিশত আগবঢ়াই নিয়ে। শিক্ষাৰ ক্ষেত্ৰটো সংস্কৃতিয়ে শিক্ষাৰ্থীৰ মানসিক ভাৱসাম্য ৰক্ষা কৰি বৌদ্ধিক বিকাশত আগবঢ়াই নিয়ে। ১৯৯১ চনৰ ডিচেম্বৰ মাহত কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই বিগত বছৰ বিলাকৰ দৰে এই বেলিও "মহাবিদ্যালয় সপ্তাহ" নানা উলহ মালহেৰে উৎযাপন কৰা হয়। মহাবিদ্যালয়





সীমিত সুবিধাৰ মাজেৰে সাংস্কৃতিক বিভাগ প্ৰায় কুৰিটা মান প্ৰতিযোগীতাৰ আয়োজন কৰা হৈছিল। এই প্ৰতিযোগীতাৰ অনুস্থানত ছাত্ৰ-ছাত্ৰীৰ অভুত পুৰ্ব যোগদান আৰু উচ্চমানদণ্ডৰ প্ৰদৰ্শনে আমাৰ বাবে সচাকৈ বৰ আনন্দ দায়ক আৰু প্ৰশংসনীয় হৈ পৰিছিল। এইবেলি "মহাবিদ্যালয় সপ্তাহত" "একাংক নাট" প্ৰতিযোগীতাৰ বিষয়টো প্ৰথম বাৰৰ বাবে অনুষ্ঠিত কৰাৰ আয়োজন কৰিছিলো কিন্তু দুখৰ বিষয় প্ৰতিযোগীতাত নিৰ্দ্ধাৰিত সংখ্যক নহোৱাত এই প্ৰতিযোগীতাটো বাতিল কৰিব লগীয়া হয়। ইয়াৰ পিছত প্ৰতি বছৰে যাতে বিভাগীয় সম্পাদকে "একাংক নাট" প্ৰতিযোগীতাত অধিক গুৰুত্ব দিয়ে তাৰেবাবে আশা ৰাখিছো।

মই এইখিনিতে মহাবিদ্যালয় কতৃপক্ষক টানি অনুৰোধ জনাও যাতে তেখেত সকলে মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ অভাৱ অনাতন বিলাকৰ ঘাটি পুৰণ কৰি এক সুস্থ সাংস্কৃতিক পৰিবেশ গঢ়ি তোলাত সহায় কৰে।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শ দি আগবঢ়াই নিয়াৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সৰ্বশ্ৰী হেমন্ত শীল, প্ৰবোধ গোস্বামী, মনিকান্ত দাস, কিশোৰ শৰ্মাৰ লগতে সমুহ শিক্ষা গুৰুলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো লগতে সদায় মোৰ হাতে কামে সহায় কৰা বন্ধু-বান্ধৱী সৰ্বশ্ৰী নিৰঞ্জন দাস, মনিকা গোস্বামী, জোনালী দেৱী, ভগৱান ৰয়, ভবেশ, তপন, বকুল, শিৱ, ৰাজীৱ, ভনীতা, গুনদা, নিৰ্মালী আৰু ৰীতালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

অৱশেষত অজানিত ভাৱে কৰা ভুল ক্ৰুটিৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী ওচৰত কৰযোৰে ক্ষমা ভিক্ষা মাগি মই সাংস্কৃতিক সম্পাদকৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

শ্ৰীহৰিনাৰায়ণ শৰ্মা
সাংস্কৃতিক সম্পাদক।



## তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ বছৰেকীয়া প্ৰতিবেদন ১৯৯২-৯৩ ইং চন।

প্ৰতিবেদনৰ পাতনিতে স্বদেশ আৰু স্বজাতিৰ হকে কলিজাৰ কেচা তেজেৰে মাতৃভূমিৰ বুকু ৰাঙলী কৰি থৈ যোৱা জ্ঞাত-অজ্ঞাত বীৰ স্বহীদ সকলৰ স্মৃতিত মোৰ অন্তৰৰ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। লগতে পাটাছাৰকুছি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ হৃদয়ভৰা মৰম জ্ঞাপন কৰিছোঁ। আৰু যিসকলে মোক এই তৰ্ক আৰু আলোচনা বিভাগৰ কাৰ্য্যভাৰ পৰিচালনাৰ সুযোগকণ দিলে সেই সকললৈ মই শ্ৰদ্ধাপূৰ্ণ কৃতজ্ঞতা আগবঢ়াইছোঁ।

প্ৰকৃততে মই এই পদটিৰ বাবে কিমান খিনি যোগ্য সেয়া মোৰ বিচাৰ্য্য নহয়, সেই দায়িত্ব মই ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ হাতত অৰ্পন কৰিলো। আৰু এইখিনিতে মই এটা কথা উল্লেখ নকৰি নোৱা-ৰিলো। মই আচলতে তৰ্ক আৰু আলোচনা বিভাগৰ পদটোত আমাৰ ছত্ৰ একতা সভাৰ অইন সম্পাদক সকলৰ দৰে নিৰ্ব্বাচিত হোৱা নাছিলোঁ। আমাৰ মহাবিদ্যালয়ৰ ১৯৯২-৯৩ বৰ্ষৰ নিৰ্ব্বাচন হৈ যোৱাত এই পদটি খালি হৈ ৰয় আৰু এই বিভাগৰ কাৰ্য্যভাৰ দিয়াৰ বাবে মোক বাছনি কৰা হয়। তাৰ বাবে মই নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষদেৱ, সমূহ অধ্যাপক তথা বন্ধু-বান্ধৱীৰ ওচৰত চিৰ কৃতজ্ঞ।

মোৰ এবছৰীয়া কাৰ্য্যকাল ছোৱাত মই আচলতে একো কৰিব নোৱাৰিলোঁ। মহাবিদ্যালয় সপ্তাহৰ বাহিৰে বছটোত মই এখন তৰ্ক প্ৰতিযোগিতা বা কুইজ প্ৰতিযোগিতা পাতিবলৈও সমৰ্থ নহলোঁ। তাৰ বাবে মোৰ [illegible] ক্ষোপ থাকি গ'ল। যিয়েই নহওক পৰৱৰ্তী কালত যেন আমাৰ মহাবিদ্যালয়ত এনে ধৰণৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয় তাকে আশা আৰু কামনা কৰিলোঁ।

বিভিন্ন ধৰণৰ অভাৱ-অভিযোগৰ মাজেৰে অইন বছৰৰ নিচিনাকৈ এইবাৰো মহাবিদ্যালয় সপ্তাহ পাতিবলৈ আমি সক্ষম হওঁ। ২৬-১২-৯২ তাৰিখৰ পৰা আমাৰ মহাবিদ্যালয় সপ্তাহ পালন কৰি ৩১-১২-৯২





তাৰিখে বঁটা বিতৰণী সভাখন পতা হয়। কিন্তু দুখৰ বিষয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগিৰ সংখ্যা তেনেই সীমিত আছিল। যাহওঁক মই আশা ৰাখিছোঁ পৰৱৰ্তী প্ৰতিযোগিতাত যেন ছাত্ৰ-ছাত্ৰী সকলে দুগুন উৎসাহেৰে অংশ গ্ৰহণ কৰি প্ৰতিভা বিকাশ কৰিব পাৰে। কাৰণ আমি মনত ৰখা উচিত বৰ্তমানৰ যুগটো এক সন্ধিক্ষণৰ যুগ। সকলোতে প্ৰতিযোগীতা কাৰ ঘোঁৰা কিমান দৌৰিব পাৰে। গতিকে প্ৰতিযোগিতা মূলক মন এটা নাথাকিলে কৃতকাৰ্য্যতা লাভ কৰাটো সহজ নহয়। প্ৰকৃ-ততে প্ৰতিযোগীতাত থিয় হব পৰাটোহে লক্ষ্য হোৱা উচিত।

বিগত বছৰটোত বিভিন্ন কাৰ্য্যসূচী সমূহ নিয়াৰিকৈ চলাই নিয়াত সহায় কৰা বাবে শ্ৰদ্ধেয় অধ্যক্ষদেৱ শ্ৰীযুত প্ৰবোধ গোস্বামী, শ্ৰীযুত তৰুণ ভাগৱতী, শ্ৰীযুত মনোজ শৰ্মা, অনুপ শৰ্মা, হেমন্তশীল, গীতাশ্ৰী গোস্বামী লগতে মোৰ বন্ধুবৰ্গলৈ অন্তৰ ভৰা কৃতজ্ঞতা নিবেদিছোঁ। ইয়াৰোপৰি মোৰ শিক্ষাগুৰু শ্ৰদ্ধেয় প্ৰণৱ দাস, কিশোৰ শৰ্মা আৰু মোৰ সহপাঠী বন্ধু তপন ৰয়, বান্ধৱী মঞ্জু দাসৰ সহায় সহযোগ চিৰদিনলৈ শলাগৰ পাত্ৰ হৈ থাকিব।

সদৌ শেষত পাটাছাৰকুছি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উজ্জল ভবিষ্যৎ কামনা কৰি, কাৰ্য্য কালৰ ভিতৰত মোৰ নিজৰ অজ্ঞাতে কৰি অহা দোষ-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি ইয়াতে মোৰ প্ৰতিবেদনৰ যৱনিকা পেলাইছোঁ।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"

ধন্যবাদেৰে

মিচ্ মঞ্জু ৰামছিয়াৰী।

সম্পাদিকা, তৰ্ক আৰু আলোচনা বিভাগ।

—×—



ছাত্ৰী- জিৱণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন
১৯৯২-৯৩ ইং চন।

প্ৰতিবেদনৰ আৰম্ভনিতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ সমুহ অধ্যাপক, অধ্যাপিকা, ছাত্ৰ-
ছাত্ৰী বন্ধু-বান্ধৱী সকলৈ মই শ্ৰদ্ধা আৰু ভক্তি জনাইছো।
১৯৯২-৯৩ চনৰ মহাবিদ্যালয়ৰ সাধৰণ নিৰ্ব্বাচনত ছাত্ৰী জিৱণী কোঠাৰ সম্পাদিকা পদত
অধিষ্টিষ্ট হোৱাৰ বাবে মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৈ মই অশেষ কৃতজ্ঞ।
আমাৰ মহাবিদ্যালয়ত বহুখিনি সা-সুবিধা নাছিল। বৰ্ত্তমাণ লাহে লাহে কিছু পৰিমাণে হবলৈ
ধৰিছে আৰু আশা ৰাখিছো ভবিষ্যতত যাতে মহাবিদ্যালখন উন্নত মানৰ হয়। ২০।৯।৯৩ তাৰিখে
মাননীয় শ্ৰীযুত হিতেশ্বৰ শইকীয়া ডঃ ভূমিধৰ বৰ্মণ আমাৰ মহাবিদ্যালয়লৈ আহি … … …
মোৰ কাৰ্যকালৰ সময় চোৱা খুব ভাল দৰেই পাৰ হৈ গল। কাৰ্য্যকালৰ বিভিন্ন দিশত
উপদেশ দিয়া শ্ৰীপ্ৰমোদ গোস্বামী, শ্ৰীনিৰ্মল শইকীয়া, শ্ৰীগীতা গোস্বামী লগতে মোৰ কাৰ্য্যলয়
সম্পাদক সকলৈ আন্তৰিক কৃতজ্ঞতা ও অভিনন্দণ জনাইছো।
সদৌ শেষত ভুল ভ্ৰান্তি হব পাৰে মাৰ্জনা কৰিবা ইমানতে প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়
মিছ, মিনা বেগম
সম্পাদিকা ছাত্ৰী জিৱণী কোঠা।





# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

১৯৯২ - ৯৩ ইং চন।



প্ৰতিবেদনৰ পাতনিতে অসমৰ জাতীয় শ্বহীদ সকললৈ মোৰ আন্তৰিক অশ্ৰুসিক্ত শ্ৰদ্ধাৰ্ঘ্য নিবেদিছো। ১৯৯২ ইং বছৰটোত মোক সহকাৰী সাধাৰণ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্ব্বাচিত কৰি মহাবিদ্যালয়ৰ মহৎ কাম কৰাৰ সুবিধা কণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ সীমিত কাৰ্য্যকাল ছোৱাত মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদক হিচাপে কি কৰিব পাৰিছো তাৰ বিচাৰ আপোনা সৱৰ হাতত। অৱশ্যে আমাৰ কাৰ্য্যকাল ছোৱাত মহাবিদ্যালয়ৰ সকলো দীশৰ উন্নতিৰ হকে অশেষ চেষ্ঠা কৰি আহিছো। কিন্তু কোনো কামতে সকলোকে সমানে সন্তুষ্ট কৰিব পৰা ক্ষমতা কাৰোৱেই নাই। সেয়েহে আমাৰ কাৰ্য্যকালতো এচাম অসন্তুষ্ট হোৱাটো অস্বাভাৱিব বুলি নাভাবো।

বিগত বছৰটোৰ উল্লেখনীয় কাৰ্য্যবলীৰ ভিতৰত কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপন কৰিছিলো। অইন বাৰৰ দৰে এইবাৰো বিভিন্ন অনুস্থানৰ লগতে খেল ধেমালি উলহ মালহেৰে পালন কৰা হয়। এই খেল ধেমালিত ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলো যোগদান কৰি যি উৎসাহ উদ্দিপনা দেখুৱালে তেখেত সকলৰ ওচৰত আমি চিৰ কৃতজ্ঞ। লগতে খেল আৰু অন্যান্য কাৰ্য্য সূচী পৰিচালনা কৰাত যি সকল শিক্ষাগুৰু বন্ধু-বান্ধৱীয়ে পৰামৰ্শ আৰু সহায় সহযোগেৰে আমাক উপকৃত কৰিছিল তেখেত সকলৰ ওচৰত মই চিৰ ঋণী।

আমাৰ কাৰ্য্যকালৰ ভিতৰত প্ৰতি মুহুৰ্ত্ততে নিয়াৰিকৈ কাৰ্য্য সম্পাদনা কৰাত দিহা পৰামৰ্শ দি সহায় কৰা আমাৰ মাননীয় অধ্যক্ষ

ডঃ ৰমেশ চন্দ্ৰ শৰ্মা দেৱ আৰু মাননীয় শিক্ষাগুৰু শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী, শ্ৰীযুত তৰুণ ভাগৱতী দেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত মোৰ কাৰ্যকালত অজানিতে কৰা ভুল ত্ৰুটিৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ ওচৰত ক্ষমা ভিক্ষা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়।

শ্ৰীবিপুল ৰয়
সহঃ সাধাৰণ সম্পাদক
নিঃ হাঃ মহাবিদ্যালয় ছাত্ৰ সন্থা।

— x —





## মোৰ দেশ মোৰ প্ৰেমৰ কবিতা

শ্ৰীঅচ্যুত কুমাৰ ভূঞা।
স্নাতক প্ৰথম বাৰ্ষিক (কলা)।

স্ফুৰিংস্ফুটা জোনাক নিশা
লিখিলো আই তোৰ অতীত ডায়েৰী
ৰূপত শুৱনি গুণত মহীয়সী
শ্যামলা শস্য চালে চকু ৰোৱা
সাহসত আছিল তোৰ মাতৃভক্ত সন্তানৰ
আদৰ-চেনেহৰ অসীম নিৰ্ভীকতা
নৰীয়া গাৰে যুঁজিছিল লাচিতে
ভেটিছিল মোগলক শৰাইঘাটত
আই তোৰেই বাবে
কিন্তু কতা ! আজি দেখিছো সেইবোৰ
সপোন নে মৰিচিকা বাৰু ?
আকাশত উৰিছে মাথো—
এতিয়া কাউৰী-শগুণৰ জাক-জাক
আৰু ... ... ... ... ... ...
অলেখ শৃগালৰ কোলাহল
আই তোৰ তেজেৰে ৰাঙলী
পলসুৱা বুকুত মোৰ স্মৃতিৰ
চকুলো টোপা-টোপ সৰে
অশেষ লাঞ্ছনা, অশেষ গঞ্জনা
আৰু কত যে ধৰ্ষণ নিৰ্জলতা
খবৰ কাগজ পঢ়িলেই উমান পাওঁ
আই তোৰ হিয়াভগা আৰ্ত্তনাদ
... ... ... ... ... ...
হায় ! হায় ! আজি তোৰ বুকুতেই
হল কিয়—
সাত ভনীৰ সাত প্ৰলাপ ?
—আই মাতৃ মোৰ সাৰে আছে
আৰু সাৰে আছে
শত্ৰু নাশিনী বিপ্লৱী হেংদাং।

## এটি কবিতাৰ জন্ম

শ্ৰীবাবুল হুছেইন।
স্নাতক প্ৰথম বাৰ্ষিক।

কবিতাৰ সন্ধানত
তুলিকাৰ সঙ্গত
পাৰ হৈ গ'ল মোৰ জীৱনৰ
দুৰ্লভ সময়বোৰ
কিন্তু!
কতো নেদেখিলো এটি কবিতা
অপৈনত হাতেৰে, আকৌ
তুলি লওঁ মই
ৰূপৰ তুলিকা, চিয়াঁহীৰ কাপ
হায়!
মোৰ অপৈনত হাতৰ চঞ্চল পৰশত
কাপৰ চিয়াঁহীখিনি
সিচঁৰতি হৈ পৰি গল
কি অপূৰ্ব?
মই তাত দেখিবলৈ পাওঁ
এটি সুন্দৰ কবিতাৰ ছবি।

—●—

## কালৰ সোঁত

শ্ৰীপ্ৰতিভা দেৱী।
স্নাতক ২য় বাৰ্ষিক।

কালৰ সোঁতত পৰি মই
মহা দুষ্ট হলো,
কথাষাৰ মই কাকো নকৈ
মনতে ৰাখি থলো।
এদিন মই সকলো কম
নাৰাখো একোৰে বাকী,
সেইদিনাখনৰ পৰা মই জীৱনত
কাকো নিদিও ফাকি।
কিমান যে মই দুষ্টামি কৰিলো
তাৰ কোনো হিচাপ নাই,
এইদৰে মই দুষ্টামি কৰিলে
নাথাকিম বেচিদিন জীয়াই।

—●—







## অভনুৱা

শ্ৰীভৱানী হালৈ।
স্নাতক প্ৰথম বাৰ্ষিক।

(১)

লৌখন দেখিছানে আহি আছে ৰাজদূত
আৰোহী যতীন বৰা সাইলাখ দেৱদূত।
হেলমেট নিপিন্ধাতো শেহতীয়া ষ্টাইল,
পদাতিক কুকুৰক কৰি ফুৰে ঘাইল।
দেউকণে নাম দিলে যমদূত।

(২)

ৰুটিবেচা ছুতিৰামে কিনিব মাৰুতি
ধুতি পিন্ধি টাই মাৰে মানুহো বাৰুটি।
ৰুটিৰ লগত বেচে গাজৰ পটল,
মাজৰাতি বিক্ৰি কৰে মদৰ বটল।
ছুতিৰাম বৰলোক দেখিছাহে সৰুটি।

(৩)

কণপায়ে ধন পাই কিনিব বুলেট
মেঘেলা মোপেড খনত লিখিব টু-লেট।
থপিয়াৰ বাটে-পথে কেৰু আৰু মণি
ম্যায়েকৰ গলৰ ডুগডুগী খনি।

(৪)

সোণ বেচি কণপাই হব সোণাৰাম
এনফিল্ড বুলেটৰ উলিয়াব দাম।
মনিৰাম ধন ঘটি হ'ল পানীৰাম
চেনিৰাম পানী বেচি হ'ল ধনীৰাম।
চেনি পানী লগ লাগি ৰামৰাজ্য হ'ল
ছুয়োটাই ডাকি ল'লে মদৰ বটল।
দিনতো আৰাম ৰাতিটো হাৰাম
ৰাম বুলি ঢোকা মাৰে থ্ৰি-এক্স-ৰাম।

(৫)

দেওঁবৰে লবহেনো ৰাজাজ চুপাৰ
মাটি-বাৰী বেচিবলৈ কৰিছে যোগাৰ।
পাথৰুৱে ছেগ বুজি মাটিখিনি লব।
গুণ নহলেও তেওঁৰ ধৰ্মকে হব।

# আমি বিপ্লৱ কৰিম

শ্ৰীপ্ৰনমণি শৰ্ম্মা ।
স্নাতক ২য় বাৰ্ষিক ( কলা ) ।

আমি বিপ্লৱ কৰিম ।
দেশৰ কাৰণে মৰিম
জৰাজৰ্জ্জৰ পংগু দেহৰ
দেশক নতুন ৰূপত গঢ়িম ।
আমি বিপ্লৱ কৰিম ॥
আমি বিপ্লৱ কৰিম
কৃষক বনুৱা শ্ৰমিক জনতাক
সংগঠিত কৰিম
শোষক শাষক ঠগ প্ৰবঞ্চকক
নিৰ্মূল কৰিবৰ বাবে
জাগ্ৰত কৰিম ;
দেশৰ-দহৰ মঙ্গলৰ বাবে
আমি বিপ্লৱ কৰিম
দেশৰ কাৰণে মৰিম ॥

— × —

# ‘প্ৰত্যাহ্বান ঃ সমন্বয়’

শ্ৰীজিতেন গোস্বামী ।
স্নাতক তৃতীয় বাৰ্ষিক ।

তুমিয়েতো এদিন কৈছিলা মোক
মোৰ অবিহনে তোমাৰ
জীৱন মিচা ।
আজি বাৰু ক'ত হেৰাল
তোমাৰ মাজনিশাৰ
উমসনা প্ৰতিশ্ৰুতি,
ক'তেনো শুকাল
বাৰু তপত চকুলো,
ক'তেনো লুকাল তোমাৰ
প্ৰেমৰ তটিনী
আবেগৰ ঢল মাথো
নমাই অনা ।







# মোৰ মন যায়

শ্ৰীফুকন মেধি ।
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক

মোৰ মন যায়
গছৰ পাত হৈ
প্ৰকৃতিৰ ৰূপ চাবলৈ ।
আৰু মন যায়
গছৰ পাতক
কাগজ কৰিবলৈ ।
মোৰ মন যায়
হাতৰ আঙুলিক
কলম কৰিবলৈ ।
আৰু মন যায়
গাৰ তেজক
চিয়াঁহী কৰিবলৈ ।
মোৰ মন যায়
ধনু যুৰি
কাঁড় মাৰিবলৈ ।
আৰু মন যায়
মৰমৰ বান্ধোনেৰে
প্ৰিয়াক বান্ধিবলৈ !
মোৰ মন যায়
ছায়া এটি হৈ
মানুহৰ মন বুজিবলৈ ।
আৰু মন যায়
জোনবাই হৈ
বিশ্বক পোহৰাবলৈ ।
মোৰ মন যায়
বিশ্বৰ সাগৰত
নাবিক হবলৈ ।

# আহ্বান

শ্ৰীহেমাংগ বায়ন।
স্নাতক ১ম বৰ্ষ।

আগুৱাই যোৱা অসমীৰ বীৰ সন্তান,
নুহুকিবা পিচ এই সময়ত,
তোমাক অপেক্ষা কৰি
মাতৃ জননীয়ে কান্দিছে,
তুমি জানো মঁচি নিদিয়া
জননীৰ তপত চকুলো!
দেখা নাই তুমি
জননীৰ হাতবাউল চিঞঁৰ!
ভালকৈ চোৱা ভাই,
ভালকৈ শুনা,
জননীৰ সেই আৰ্ত্তনাদ!
ভালকৈ চকু মেলি চোৱা,
জননীয়ে মাতিছে তোমাক
মুক্ত কৰিবলৈ—
বিদেশীৰ পাশৱিক কবলৰ পৰা।
আগুৱাই যোৱা—
বাহুত লাচিতৰ শক্তি লৈ,
বুকুত সাহস গোটাই,
পাৰা যদি উদ্ধাৰ কৰা
ভুখুনী জনমভূমি অসমীক।
লাগে যদি তোমাৰ—
বুকুৰ ৰক্ত মাতৃপূজাত,
হাঁহি দান কৰা—
লাগে যদি ৰাইফলৰ গুলী
বুকুপাতি লব,
তাকো আগ্ৰহেৰে লোৱা
নিজৰ প্ৰাপ্য বুলি।
লাগে যদি আঁখি লব,
ডিঙিত ছিপজৰী,
তাকো ভক্তিৰে লোৱা
স্বৰ্গীয় ভাগ্য বুলি।
হে অসমৰ বীৰ সন্তান,
আগুৱাই যোৱা, আগুৱাই যোৱা।





# আশাৰ সপোন

শ্ৰীবকুল দাস।
স্নাতক ১ম বাৰ্ষিক।

আশাবোৰ মোৰ
সপোন হৈ ৰ'ল
বহুতো কল্পনা মোৰ
লীন হৈ গ'ল
অকলশৰীয়া হায়
নাওঁৰীয়া মই
খেলহে খেলিলা
তুমি মোকে লই
আশা কৰিছিলো মই
পাম তোমাৰ আশ্ৰয়
একোকে নিদিলা
দিলা মাথো যাতনা।

# মাজনিশা

শ্ৰীফণীধৰ শৰ্ম্মা।
স্নাতক ২য় বাৰ্ষিক।

মাজনিশা শেৱালিৰ তলত
আকাশলৈ ৰাৰে বাৰে চাওঁ,
চন্দ্ৰটোৱে আমালৈ চাই চাই
মিচিকিয়াই হঁহা যেন পাওঁ।
শেৱালি ফুলৰ ধুনীয়া সুবাস
চৌদিশ বিয়পি যায়,
নৱাজিত ফুলৰ পাহি বিলাকেও
লাহে লাহে সাৰ পায়।
পূবৰ পৰা এজাক বতাহ
বৈ আহে ৰিৰ্ ৰিৰ্
মনত ভৰি থকা কল্পনা বিলাক
কৰি যে ভাল পাওঁ।



## প্ৰতিশ্ৰুতি

মঃ আকবৰ আলী।
স্নাতক প্ৰথম বাৰ্ষিক।

বৰ বৰ কথাৰে
প্ৰতিশ্ৰুতি দিছিলা
জননীৰ দুখ মোচন
কৰিম বুলি।
জয়গান গাইছিল
অগনন জনতাই
আকাশত উকৰাইছিল পতাকা
প্ৰতিশ্ৰুতি পূৰণ হওঁক বুলি।
বুকুপাতি লৈছিল
গ্ৰেনেটৰ গুলী
প্ৰতিশ্ৰুতি পূৰণ কৰিব বুলি।
কিন্তু; সময়ত দেখা গ'ল
লজ্জা পাই বাৰণ হ'লা
প্ৰতিশ্ৰুতি মৰুভূমিত
দলিয়াই পেলালা।

☆

## জীৱন স্বপ্ন

শ্ৰীমনোৰঞ্জন পাঠক।
স্নাতক চূড়ান্ত বৰ্ষ।

বহুত সপোন মৰহা
এক মুবুজা নিয়তিৰ সঁতে
চকুলোৰ দুযাৰ
অব্যক্ত বেদনা।

জীৱন আৰু ভৱিষ্যত
দুটা শব্দ
আশাৰ সপোন........!
মনত বেদনাৰ ৰুদ্ধ ধাৰা।

যৌৱনৰ উপল স্তিমিত
জীৱন মাথো
কল্পনাৰ বৃথা ছবি।

—+—





## চঞ্চল মন

শ্ৰীচাণক্য দাস।
একাদশ কলি (কলা)।

কিয় আজি মন মোৰ শিমলু তুলাৰ দৰে
উৰি ফুৰে নীল আকাশত,
চঞ্চল যৌৱনে মোৰ সদায়ে আমনি কৰে
জীৱনৰ ভৰ দুপৰত।
জানো মই ভালদৰে তোমাৰো উতলা মন
তথাপিতো ৰাখিছোঁ লুকাই;
কৰলৈ খুজি তুমি কোৱা নাই প্ৰাণ খুলি
লাজুক চাৱনিৰে থাকা বাট চাই
জীৱন বসন্ত কাল নাহে ফিৰি কোনোদিন
কাৰ বাবে সাচিছোঁ যৌৱন,
বলিয়া চঞ্চল মনে উৰি উৰি আকাশত
বিচাৰে তোমাৰ মৰমকণ।
সীমাহীন সাগৰত উঠিল প্ৰেমৰ ঢৌ
বহুত দূৰলৈ উটি যাম,
জীৱনৰ নাওঁতেই প্ৰাণে প্ৰাণে মিলি গৈ
যৌৱনৰ তৃষ্ণা আতৰাম।

## অসম মাতৃ

শ্ৰীহৰেকৃষ্ণ কলিতা।
( স্নাতক ১ম বাৰ্ষিক।

হে মাতৃ তোমাৰ মুখত
দেখোঁ আজি কিয় শোকৰ ছাঁ।
লুপ্ত হৈছে তোমাৰ গৰ্ভত আজি
অতীতৰ সেই নমনীয় কৃষ্টি;
নেকান্দিবা, নিদিবা আৰু আমাক দুখ।
হে মাতৃ তুমি ক্ষান্ত হোৱা
তোমাৰ চকুৰ তপত অশ্ৰু
মচি পেলোৱা
আমি সাৰে আছো
তোমাক কষ্ট দিবলৈ
আমাৰ সাহস নাই
আজি আমাৰ সুপ্ত দেহৰ
প্ৰতিটোপা তেজ জ্বলি উঠিছে,
তোমাৰ তৃষ্ণা পূৰণ কৰি
বুজাই দিম যে
অসম মাতৃৰ সন্তানৰ সাহস কিমান ?

★

## মই আৰু নাওঁখনি

মিচ্ ডলিমনি দাস।
স্নাতক প্ৰথম বাৰ্ষিক।

সুদূৰ নীলিম সাগৰত
বহু আশা বুকুত লৈ
এৰি দিছিলো নওঁখনি মোৰ
বহু দূৰলৈ
লাহে লাহে যেন মৰহি গ'ল
হৃদয়ৰ উদাত্ত আ'বেগ উৎকণ্ঠা
মাথো ৰৈ গ'ল তাৰ
ব্যাথা ভৰা স্মৃতি।
চৌদিশে মিচা মায়াৰ
এখনি সাগৰ।
নাওঁখনি আৰু মই
মই আৰু নাওঁখনি
ব্যাথা ভৰা স্মৃতিৰে
পাল তৰি পাৰ হ'ম
প্ৰেমময় নীলিম সাগৰ
মায়াৰ সাগৰ ॥







## কেইটিমান কবিতা

শ্ৰীসুনীল কুমাৰ দাস।
স্নাতক প্ৰথম বাৰ্ষিক। ( কলা )

( ১ )

ধুসৰ পৃথিৱীত
চৌদিশে হাঁহাকাৰ
জ্বলে জুই
উত্তাপ গুৰুতৰ
যেন বাৰনৰ একুৰা চিতা জুই,
পুৰি নিয়ে অকালতে।
মইয়ো হওঁ.........
মাঘৰ মেজিৰ ছাইখিনিৰ দৰে
মোৰ অন্তৰ দাবানলৰ ধোঁৱা
উৰি যায়।

( ২ )

বোচ কোৰ্চ'ত তুমিও কৰিছিলা যোগদান।
কিমান দৌৰিলা ?
কিমান আগবাঢ়িলা ?
নিজেই নুবুজিলা
হিয়া ভাঙি মাথো
আহে এটি হুমুনিয়াহ;
ইয়াতে তোমাৰ ব্যৰ্থতা।

( ৩ )

সাফল্যৰ পথ খেদি যোৱা
প্ৰতিজন দেহ ধাৰি মানুহৰ
ৰন্ধ্ৰে ৰন্ধ্ৰে
তোলা শিহৰণৰ দৰে
মই নিঃশব্দে সোমাই যাওঁ ?
জটিল গহ্বৰলৈ।

( ৪ )

মোৰ কলিজাত একুৰা প্ৰচণ্ড জুই ?
মুখত ছাই,
পোচাক দেহ;
যেন এটি উত্তপ্ত যৌৱন।

( ৫ )

মই ৰৈ যাওঁ দূৰণিত,
বাঁহীটিৰ বিননিত।
জন্ম লগ্নৰ বেদনা খিনিত।
কলঙ্ক নেকি ?
কোনোৱা কলংপাৰৰ কবিৰ,
হিয়া ভগা বুকুৰ বিননি।
পখীৰ ডিঙিত বাজে,
সুৰ যেন চিনাকি চিনাকি,

—●—

# আশাৰ ৰেঙণি

শ্ৰীনৱ কুমাৰ শৰ্ম্মা।
স্নাতক প্ৰথম বাৰ্ষিক।

সোণালী শইচেৰে ভৰা
আঘোণৰ পথাৰ—
চালে চকু ৰোৱা
ধাননি ডৰা।

দুখীয়া কৃষকৰ
আশাৰ ৰেঙণি,
ভাবিছে বহুতো কথা—
লৈ এই ধাননি ভৰাক।

ক'ত যে কপালৰ ঘাম
মাটিত পেলাই
সিঁচিছে বীজ
এই ধাননি ডৰাত।

ৰাতিপুৱাৰ বেলিটিয়েও
মিচিকি হাঁহিৰে
দিছেহি সম্ভাষণ
এই ধাননি ডৰাক।

চৰাই সৃকতিয়েও
কিৰিলি পাৰিছে
ক'ত আশা লৈ—
এই ধাননি ডৰাক।

অস্তগামী সূৰ্য্যেও
বিদায়ৰ পৰত
লাজুকি হাঁহিৰে দিছেহি সম্ভাষণ
এই ধাননি ডৰাক।





Nirmal Haloi College Library
20

# মোক তুমি নামাতিবা

শ্ৰীমহানন্দ নাথ
স্নাতক ২য় বাৰ্ষিক

মোক তুমি নামাতিবা।
মন মোৰ উগুল-থুগুল,
বহুতো কথাত মচগুল,
কিয় কব নোৱাৰো।

হয়তো আশাহীন আশাত
বিচাৰি যাম দিগন্তলৈ
অচিন অজান ঠাইলৈ,
লাগে মাথো সন্নিধান।

মোক তুমি নামাতিবা
মন মোৰ ভাবাক্ৰান্ত,
হৃদয় অলেখ প্ৰশ্নত অশান্ত,
কিয়, কব নোৱাৰো।

আশাহীন মন সাগৰত
বালিৰ ধুমুহা আৰু জোৱাৰ
ভ্ৰম দিগন্তৰ তীব্ৰ ঝঙ্কাৰ,
কঁপিছে মোৰ পৰাণ।

মোক তুমি নামাতিবা
যেতিয়া থাকো অকলে,
গতি মোৰ অসীমলে,
কিয় কব নোৱাৰো।

## হেৰোৱা প্ৰতিশ্ৰুতি

মিচ্‌ প্ৰণিতা দেৱী চৌধুৰী
স্নাতক প্ৰথম বাৰ্ষিক

মৰমৰ ... ... ... ... ...
তোমালৈ বুলি এই চিঠিখন
উন্মাদ যৌৱনৰ—
আৰু আবেগৰ ।

কোনোবা কবিৰ
মিঠা কবিতাবোৰ—
আজিও ৰুদ্ধ হৈ আছে
মোৰ ফাইলত ।
পৰেনে মনত তোমাৰ
কোনোবা জোনাকত
নৈৰ দাঁতিৰ বকুলৰ তলৰ
ভুবৰিত বহি
প্ৰতিশ্ৰুতি দিয়া জীৱনৰ ... ...
মোৰ কিন্তু বাকৈয়ে আছে মনত ?
সপোনত দেখিলে তোমাক—
ফাইলৰ ৰঙা ফিটাকেইডাল খুলি
উলিয়াই লওঁ নীলাখামৰ সেই প্ৰথম চিঠিখন
যিখনত লিখিছিলা "মই তোমাক ...।"
মই কিন্তু ডাণ্টেও, নহওঁ দুষ্যন্তও নহওঁ
তথাপি আঁকিছিলো তোমাৰ ছবি
তুমিয়েই মোৰ আদি,
তুমিয়েই মোৰ অন্ত ।
কিন্তু ক'ত হেৰাই গ'ল
সেই প্ৰতিশ্ৰুতি মিঠা যৌৱনৰ
কোনে ভাঙি দিলে কল্পনাৰ বালিঘৰ ?
সময় পালে জনাবানে প্ৰিয়ে ?
তাৰেই প্ৰতীক্ষাত ... ... ... ...
ইতিত
"তোমাৰ মৰমৰ ... ... ... ... ... ...।"





## সভ্যতা আৰু প্ৰগতি

শ্ৰীপ্ৰদীপ কুমাৰ শৰ্ম্মা
স্নাতক চূড়ান্ত বৰ্ষ

সঘনে শুনো
"দেশ প্ৰগতিৰ পথত"
"গৰীবি হাতাও
বক্তৃতা"
আকাশ কঁপি উঠে আতঙ্কত
কেতিয়াবা মনত পৰিছেনে
জৰ্জৰিত মানুহলৈ
ক্ষুধাতুৰ ফুটপাথ বাসীৰ কথা
বহুজনৰ উপেক্ষিত
গৰীব বোৰলৈ........
মানুহ সভ্য হ'ল
কৃত্ৰিম উপগ্ৰহই মহাকাশ জিনিলে
হয়তো অতুৰত মানুহৰ বাসস্থান হব
মহাকাশৰ কোনো গ্ৰহত ।
তথাপিতো এচাম মানুহৰ কোহাল
সভ্যতাৰ বাবে নে,
মৌলিক সামগ্ৰীৰ অভাৱৰ বাবে ?

## নিৰুপায়

শ্ৰীহৰিনাৰায়ণ শৰ্ম্মা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

ডাঙৰ মানুহবোৰ ৰৰ আচৰিত
কথা বতৰাৰ একো নাই থান-থিত ।
ছঁবি আকিলেই হয় কাগজ লেতেৰা,
কথা কলে হয় গোলমাল কৰা ।
পঢ়িব নাজানো যদি, কয় পাগলামি কৰা,
পেঞ্চিল নহলে কয় মনে মনে থাকা ।
আখৰ লিখিলে হ'লে কোনেও নবকে,
নেওঁতা মাতিলে মোক নকয় একোকে ।
ৰাতি যদি কিবা কথা সোধো দেউতাক,
একোকে নকয় মাথো কয় শুই থাক তই ।
গধূলি মেজত যদি আহিল টোপনি,
ডাবি ধমকনিত মই নেপাওঁ তৰণি ।
ডাঙৰ মানুহবোৰ সঁচাকৈয়ে বেয়া,
কিনো কথা কয়, আগগুৰি নাইকিয়া ।
ৰাতি এটা কথা কয়, আন এটা পুৱা,
কথা নাপাতিনো মই কি কৰিম কোৱা ?

# আহ্বান

মিচ, মঞ্জু ৰামছিয়াৰী

ওলাই আহা ভাইহঁত;
সকলো এলাহ ভাগৰ পাহৰি
বিপদ-বিঘিনি নেওচি
পুৰণিৰ দুস্কৃতি দূৰ কৰি
আমি নতুন জাতি বঁচিম।
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
বাহুত অসীম শক্তি লৈ
আমি আগবাঢ়ি যাম।
ভণ্ডামি চূৰ্ণ কৰি
দৃঢ় মুটিৰ কঠোৰ আঘাত
পাপ জগতৰ বুকুত মাৰি,
ওফোৰাই পেলাম আমাৰ বাহুৰে
কোটি কোটি যুগৰ মলি মামৰৰ দম।
ভগ্ন হৃদয়বোৰক সজীৱ কৰি
আগবাঢ়ি আহা
চিৰ বঞ্চিত শোষিত দল;
বিলাসিতাৰ স্বপ্নপুৰীত
দিনে নিশাই মগ্ন থকা
হেজাৰ শোষকৰ বিৰুদ্ধে
আমি আগুৱাই যাম।
ওলাই আহা ভাইহঁত,
ককালত টঙালি বান্ধি
বুকুত অসীম সাহস লৈ
একতাৰে আগুৱাই গৈ
ধ্বংস কৰো, চিগি দিওঁ, শৃংখল শোষিতৰ
শোষকৰ বিলাসি ৰাজপ্ৰাসাদ।
ভয় নাই আৰু ভয় নাই
আহাহে পীড়িত মানৱ দল,
আমি নতুন সমাজ গঢ়িম,
আমি নতুন পৃথিৱী বঁচিম।





# নিগ্ৰোৰ নৈৰ স্মৃতি

লেংষ্টন হিউজ
অনুবাদ— শ্ৰীনিজৰা দত্ত
স্নাতক ২য় বাৰ্ষিক

নৈৰ স'তে মোৰ নিবিড় আত্মীয়তা
নৈৰ স'তে মোৰ আত্মীয়তা পৃথিৱীখনৰ দৰেই প্ৰাচীন আৰু
মানৱৰ ধমনিত প্ৰবাহিত তেজতকৈও আদিম।
মোৰ সমগ্ৰ সত্বাৰ চৌদিশ আকোৱালি লৈ বৈ আছে সেই নদী
সভ্যতাৰ ফেঁহুজালিতেই মই ইউফ্ৰেটিছ নৈত স্নান কৰিছিলো।
কংগোৰ পাৰত সাজিছিলো মোৰ পজাঘৰ
আৰু তাতেই শুই পৰিছিলো মই ইয়াৰ নিচুকণি গীতত।
নীল নৈৰ বুকুৰ পৰা মই দেখিছিলো সু-উচ্চ পিৰামিডবোৰ।
মিচিচিপিৰ প্ৰাণৰ সুৰ মই শুনিছিলো
যেতিয়া স্নেহৰ লিংকন নামি গৈছিল নিউ অৰলিনচ্‌ লৈ,
আৰু মই দেখিছিলো বুকুৰ শোণিতেৰে সোনোৱালি কৰা বোকা,
বেলি লহিওৱাত তেজৰঙা হোৱা।
নৈৰ স'তে মোৰ গভীৰ আত্মীয়তা
আদিম ঘন ক'লা নৈ
মোৰ সমগ্ৰ সত্বাৰ চৌদিশ আকোৱালি লৈ
বৈ আছে সেই নৈ।

(Lengston Hughe ৰ The Negro Speaks of Rivers নামৰ কবিটাটোৰ অসমীয়া অনুবাদ)।

## অজান পথ

শ্ৰীৰঞ্জিত দাস

ভগবানক এই বাবে ভাল পাওঁ যে
আমি এতিয়াও সপোন ৰচিব পাৰো
যে এখন সুন্দৰ সৰীস ভবাৰ মাজেদি
আমি আগুৱাই আছোঁ ।
কলৈ আগুৱাইছো কোনেও নাজানে
আৰু এই অজানিৰ শক্তিতে
জীয়াই আছো
এতিয়াৰ মানুহ বোৰো
ঠিক মানুহৰ দৰে ।

## এখন দেশতে

শ্ৰীৰঞ্জিত দাস
স্নাতক ২য় বৰ্ষ

এখন দেশতে
দেখিছোঁ
এজনৰ
মধুৰ হাঁহিৰ হিল্লোল,
আৰু আনজনৰ
হৃদয়ৰ তীব্ৰ ক্ৰন্দন ।
এখন দেশতে
পাইছো একালে
চন্দ্ৰৰ অসীম পোহৰ
আৰু আনকালে
আঁউসী নিশাৰ অন্ধকাৰবোৰ ।
এখন দেশতে
এজনৰ
চিন্তা দেশ বিজয়ৰ
আৰু আন এজনৰ
চিন্তা এমুঠি ভাতৰ





## যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা

—ৰুদ্ৰ কলিতা।
প্ৰৱক্তা, অসমীয়া বিভাগ।

দ্বিতীয় বিশ্বযুদ্ধৰ পিচত অসমীয়া সাহিত্যৰ ৰূপটোৱেই সলনি হৈছিল। উনৈশ শতিকাৰ ৰোমাণ্টিক কবিতাত জীৱন, ঈশ্বৰ, প্ৰেম আৰু প্ৰকৃতিৰ সৌন্দৰ্য্যৰ মাজত বিচাৰি পোৱা নিৰুদ্বেগ, শান্তি, আত্ম-তৃপ্তিৰ বিপৰীতে দ্বিতীয় মহাযুদ্ধৰ পাচৰ নতুন কবিতাত উদ্বেগ, দ্বিধা, অবিশ্বাস, নৈৰাশ্য, অনিশ্চয়তা আৰু তিক্ততাৰ সুৰ স্পষ্টভাবে দেখিবলৈ পোৱা গৈছে। ইয়াৰ মূলতেই হ'ল দ্বিতীয় মহাযুদ্ধই সমগ্ৰ বিশ্বৰে নৈতিক আৰু সামাজিক শৃংখলাত দিয়া নিষ্ঠুৰ আঘাত। ৰাষ্ট্ৰীয়, সামাজিক, মানবীয় আদি সকলো ক্ষেত্ৰতে সন্দেহ, অবিশ্বাস আৰু বিদ্বেষৰ বীজ অৱশ্যে প্ৰথম মহাযুদ্ধয়েই সিঁচিছিল। দ্বিতীয় মহাযুদ্ধৰ বিশ্বব্যাপি চলা ভয়ঙ্কৰ ৰূপৰ ফলস্বৰূপে প্ৰচলিত মূল্যবোধ, প্ৰাচীন ধ্যান-ধাৰণাৰ সলনি হ'ল।

ৰমন্যাস যুগৰ আশ্বাস আমি দ্বিতীয় মহাযুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া কবিৰ কবিতাত অংশ্যে নাপাওঁ, কিয়নো বিজ্ঞানৰ জয়যাত্ৰাৰ মাজত যুক্তিবাদী আৰু বস্তুবাদী চিন্তাধাৰাই, বিশ্বযুদ্ধৰ অভিঘাতে আৰু নিজৰ দেশৰে আৰ্থ-সামাজিক ৰূঢ় বাস্তৱে তেওঁলোকৰ মনৰ বিশ্বাসৰ ভেটি লৰাই দিছে, আৰম্ভ হৈছে সংশয় আৰু প্ৰশ্নৰ যুগ, তেওঁলোকৰ মনোজগতৰ পৰা ঈশ্বৰ নিৰ্বাসিত হৈছে। মহাযুদ্ধোত্তৰ যুগৰ এই সংশয়, বিশ্বাস-অবিশ্বাসৰ দোমোজাত পৰা মানসিক দ্বন্দৰ সুস্পষ্ট প্ৰকাশ ঘটিছে নৱকান্ত

বৰুৱাৰ কবিতাত। স্বপ্নভঙ্গৰ বেদনাত আহত কৰি জীৱনৰ অৰ্থ বিচাৰি গৈ কেৱল দেখিছে সময়ৰ প্ৰৱাহ মানতাৰ এক অন্তহীন, অৰ্থহীন প্ৰক্ৰিয়া : নাস্তিকতাবাদী চাৰ্বাকক উদ্দেশ্যি তেওঁ কৈছে—

মাথো পথ, পথেই মাথোন সঁচা এই পৃথিৱীত।
ঈশ্বৰত বিশ্বাসৰ আফিঙেৰে মিহলি অমৃত
তুমি নকৰিলা পান।
কিয়নো কৰিবা ?
হেয় কৰি ধূলিৰ বুকুত এই স্নেহময়ী পৃথিৱী
প্ৰিয়াক
কিয় তুমি বিচাৰিবা স্বৰ্গ এই গৰ্বিতা কিশোৰী
চকুলোৰ মূল্য যি নিদিয়ে। ( চাৰ্বাক )

আন এগৰাকী আধুনিক অসমীয়া কবি অজিৎ বৰুৱাৰ কবিতাত আধুনিক জটিল মানসিকতা, মননশীলতা আৰু ব্যঞ্জনাধৰ্মী, প্ৰতীকবাদী আংগিকৰ সাৰ্থক সমন্বয় ঘটিছে। অভিজ্ঞতাক সময়ৰ এক স্থিৰ বিন্দুত ধৰি ৰখাৰ প্ৰয়াস তেওঁৰ কবিতাত। বৰুৱাৰ "মন কুঁৱলী সময়" আৰু "জেৰাই, ১৯৬৩" কবিতা দুটা পঢ়িলেই এই কথা উপলব্ধি কৰিব পাৰি :

কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা
কুঁৱলী গলি ভাঁহে।
এই পুৱা যেন অতীত জীৱন
( এ বছৰ বয়সীয়া )
পুনৰ যাপন কৰি উঠিলোঁ। কাৰণ—
যোৱা বছৰ এনে পুৱা
উঠিছিলো নতুন হামিয়াই,
থকা নথকা এক পলকৰ দলঙত
সময় বন্ধ হৈ যায়। (?) (মন কুঁৱলী সময়)

যুদ্ধোত্তৰ যুগৰ আন এগৰাকী আগশাৰীৰ কবি নীলমণি ফুকনৰ বহুতো কবিতাত মৃত্যু-চেতনা আৰু জীৱন যন্ত্ৰণা ব্যঞ্জনাধৰ্মী অভিব্যক্তিৰ পৰিচয় পোৱা যায়। কবিৰ "ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে" সংকলন খনৰ কেবাটাও কবিতা, যেনে "ফুলিথকা সূৰ্য্যমুখী ফুলটোৰ ফালে" হৰিৎ প্ৰান্তৰত……"নৈখনৰ পাৰেৰে বাটটো"। "টোপনিতো তেওঁ মোক খেদি ফুৰিছিল" আদি এই শ্ৰেণীৰ কবিতা। ফুকনৰ মৃত্যু চেতনামূলক কবিতাবোৰত পাওঁ এক গভীৰ ৰহস্যবোধ, অপৰিসীম বিস্ময় আৰু দুখৰ অনুভূতি :

থৰ হৈ তেওঁ আমাৰ মুখলৈ চাই আছে।
হাত দুখন যেন
উৰি যোৱা বগলীটোৰ ফালে মেলি দিবলৈ
বিচাৰিছে
ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে।

মহাযুদ্ধোত্তৰ কালৰ অসমীয়া কবিতাৰ ভাষাত যি নমনীয়তা, গদ্যাশ্ৰয়ী ছন্দ আৰু বাক্যৰ গাঁঠনি, চিত্ৰকল্প আৰু প্ৰতীকৰ বৈচিত্ৰ, নাটকীয় গতিবেগ আদি আমি দেখা পাওঁ, তাৰ বিৱৰ্তনত কবি নৱকান্ত বৰুৱাৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। নৱকান্ত বৰুৱাৰ কবিতা শৈলীৰ সামগ্ৰীক বিশ্লেষণ কৰিলে দেখা যায় তাত প্ৰতীকবাদী শৈলীৰ কিছুমান লক্ষণ কবিৰ নিজা ভংগীৰ অংশবিশেষ হৈ





পৰিছে ; তেখেতৰ কবিতাত পৰোক্ষ ব্যঞ্জনাতকৈ প্ৰত্যক্ষ উক্তিৰ প্ৰাধান্য। প্ৰতীকৰ ব্যৱহাৰ তেওঁ কৰিছে। তেওঁৰ এটি প্ৰিয় প্ৰতীক হ'ল 'আকাশ'— যি তেওঁৰ বাবে মুক্ত, বৃহত্তৰ জীৱন নাইবা অসীমৰ প্ৰতীক। তেওঁৰ অন্যতম সাৰ্থক কবিতা - 'ইয়াত নদী আছিল' বিভিন্ন প্ৰতীকেৰে সমৃদ্ধ। এই কবিতাটোত তেওঁ আধুনিক জীৱনৰ অৱক্ষয়ৰ আৰু ব্যৰ্থতাৰ ছবি আঁকিছে :

কিন্তু মৰুভূমি আছে,
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌ ফুল
সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং, সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুঁটছাই বৰণৰ এখন পৃথিৱী।

যুদ্ধোত্তৰ যুগৰ কবিতাত প্ৰতীকে দুটা ভিন্ন ধৰণে ব্যৱহৃত হৈছে। এটা সমসাময়িক সংবেদনশীলতা ; মানসিক আৰু আধ্যাত্মিক অন্তৰ্দ্বন্দৰ পৰা সৃষ্টি হোৱা জটিল ভাবধাৰা প্ৰকাশৰ ফলশ্ৰুতি। আনটো হৈছে উপমাৰ জন্ম। ইয়াৰ উপৰি বিপৰীত ধাৰণাৰ সংমিশ্ৰণ আৰু তুলনা, জটিল শব্দ বিন্যাস কিংবদন্তি, আখ্যান আৰু আন দুটি সাহিত্যিক অভিব্যক্তি আমাৰ কবি সকলে অনুকৰণ কৰিছে।

হেম বৰুৱাৰ প্ৰায় ভাগ প্ৰতীকে ইলিয়টৰ দৰে সমসাময়িক জীৱনৰ ব্যক্তিগত উপস্থাপন।

আমি বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল ;
*　*　*　*
কোৰিয়াত জৰাসন্ধৰ কঙ্কাল
এচিয়াৰ আকাশ আগুৰি শগুনৰ জাক
আমি জীয়াই আছো যুগৰ সীমান্তত
প্ৰাচীন নাবিকৰ জঁকা
আমাৰ পিৰামিড হিৰোচিমা নাগাচাকি।
( পোহৰতকৈ এন্ধাৰ ভাল )

ওপৰৰ উদাহৰণবোৰত হেম বৰুৱাই যুদ্ধক্ৰান্তা পৃথিৱীখনৰ নৈৰ্ব্যক্তিক চিত্ৰ অংকণ কৰিছে। ইলিয়টৰ প্ৰতীক ব্যৱহাৰৰ কৌশল হেম বৰুৱাই প্ৰথম প্ৰয়োগ কৰে আৰু এইক্ষেত্ৰত তেওঁ প্ৰতীক বাদী কবিতাৰ নেতৃত্ব লোৱা বুলি দাবী কৰিব পাৰে। আন আন প্ৰতীক বাদী কবিতাবোৰ হ'ল – মহেন্দ্ৰ বৰাৰ 'কপৌ আৰু শগুন' নৱকান্ত বৰুৱাৰ 'হে অৰণ্য' ( হে মহানগৰ ) 'মহাকাব্যৰ পাণ্ডুলিপি' 'বোধিদ্ৰুমৰ খৰি' ৰাম গগৈৰ 'এটমবোম' বীৰেশ্বৰ বৰুৱাৰ 'কল্লোল'। নৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰতীক বোৰ দ্ব্যৰ্থবোধক আৰু এটা মাত্ৰ ভাব প্ৰকাশৰ পৰিবৰ্তে তেওঁৰ কবিতাবোৰে পাঠকৰ আগত দাঙি ধৰে বিভিন্ন ভাৱৰ এক বিচিত্ৰ বৰ্ণালী। তেওঁৰ প্ৰতীকবোৰে ব্যক্তিগত ইঙ্গিতধৰ্মী, ব্যঞ্জনা-ময়ী কিছু পৰিমাণে ৰহস্যবাদী। 'প্ৰাৰ্থনা', 'আকাশৰ প্ৰতি' আৰু 'মহাকাব্যৰ পাণ্ডুলিপিয়ে' জীৱনৰ সচেতন আৰু অচেতন দিশক সংযুক্ত কৰে—

আত্মাৰ চৰাই খানা সিহঁতৰ

তৰ্ক আৰু চুৰতৰ ধোঁৱা ধুৱলী
( মহাকাব্যৰ পাণ্ডুলিপি )

মুহঁতে কৌশল আৰু প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত যুদ্ধোত্তৰ অসমীয়া কবিতাক— প্ৰতীকবাদী বুলি কব পাৰি। এই যুগৰ কবিসকলৰ মাজৰ আমি দুটা বাধা চিনাক্ত কৰিব পাৰো– এদল কবি আঙ্গিকৰ ক্ষেত্ৰত ইলিয়টৰ দ্বাৰা প্ৰভাৱান্বিত; আন দল কবি ঘাইকৈ ফ্ৰয়ডীয় যৌন প্ৰতীকৰ ব্যৱহাৰত সিদ্ধহস্ত। হেম বৰুৱা আৰু নৱকান্ত বৰুৱাই প্ৰথম দলৰ কবি। বৰুৱাই প্ৰথম তেওঁৰ 'ক্ৰমশঃ' নামৰ কবিতাত প্ৰত্যক্ষভাবে ইলিয়টৰ আহিত প্ৰতীক ব্যৱহাৰ কৰিছে।

ইতিহাস জুৰি পৰি ৰল মাথো
শুকান হাড়ৰ
সিজু কাঁইটৰ দেশ
মৰা পৃথিবীৰ দেহ। ( ক্ৰমশ )

হোমেন বৰগোহাঞিঃ, হৰি বৰকাকতি ঘাইকৈ দ্বিতীয় ধাৰাৰ কবিতা ৰচনা কৰিছিল। বৰগোহাঞিঃৰ 'সাপ' নামৰ কবিতাটো সম্ভৱত ইয়ংউৰ ( Iung ) অচেতন সম্পৰ্কীয় যি ধাৰণা তাৰ প্ৰত্যক্ষ প্ৰতিফলন বুলিব পাৰি। তথাপি আমাৰ কবি সকলে কিবা বেলেগ স্বাধীন গোষ্ঠী স্থাপন কৰিছে বুলি কব নোৱাৰি। বিংশ শতিকাৰ সভ্যতাৰ সাধাৰণ দুৰ্বলতা সমূহ মানবীয় মূল্যবোধ পতন, যুদ্ধ আৰু বিজ্ঞানৰ ধ্বংসমুখী দিশ এইবোৰে হৈছে আধুনিক কবি সকলৰ ঘাই উপজীব্য।

এজ্ৰা পাউণ্ড, ইলিয়ট আৰু আন আন সকলে আৰম্ভ কৰা চিত্ৰকল্পবাদে অসমীয়া আধুনিক কবিতাৰ গঠনত এক নতুন জোকাৰণি দিছিল। সাধাৰণ কথা বতৰাত ব্যৱহৃত ভাষাক তেওঁলোকে বিশেষ অগ্ৰাধিকাৰ দিছিল। বিষয়বস্তুৰ মুক্ত নিৰ্বাচন; মুক্তক ছন্দ আৰু কেন্দ্ৰীকৰণৰ ওপৰতো সমানে গুৰুত্ব দিছিল।

হেম বৰুৱা নৱকান্ত বৰুৱা আৰু তেওঁলোকৰ সমসাময়িক কবিসকলে এজ্ৰা পাউণ্ডৰ কবিতাৰ দ্বাৰা যে প্ৰভাৱান্বিত হৈছিল তাত কোনো সন্দেহ নাই। চিত্ৰকল্পবাদী কলা-কৌশলৰ ক্ষেত্ৰত হেম বৰুৱা জাপানী কবিতাৰ দ্বাৰা প্ৰভাৱান্বিত বুলি কোৱা হয়। মহেন্দ্ৰ বৰুৱাৰ মতে এইটো অতি ৰঞ্জনা নহয় চিত্ৰকল্পবাদী কলা কৌশলৰ অনুপ্ৰেৰণাৰ উৎস হৈছে সেই কবিতাবোৰ যিবোৰ জাপানী কবিতাৰ আদৰ্শত ৰচিত হৈছিল।

চম্পা বৰুৱা, তুমি হাঁয় মদাৰৰ ফুল
হেজাৰ আঁচুৰ মৰিশালী
আকাশ খন ধুৱলী কুঁৱলী ( বৰ্ষা )

ঠিক একেদৰে হেম বৰুৱাও এটা অভিজ্ঞতা আৰু ই উদ্ৰেক কৰা তুলনাৰ কোনো পাৰ্থক্য অনা নাই। তুলনা হৈছে চিত্ৰকল্পবাদী কলা কৌশলৰ মূল বস্তু।

সোণপাহি মোক এবাটি আপং দিয়া
তোমাৰ আঙুলিৰ শিখা যেন ৰঙা।
( বিহুৰ দিনৰ গান )

আনকি ৰীৰেশ্বৰ বৰুৱা আৰু নীলমণি ফুকনৰ





দৰে কবিও পাউণ্ডৰ আধুনিকতাবাদৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। হৰি বৰকাকতি আৰু অজিত বৰুৱাৰ লেখীয়া আন কিছুমান কবিৰ কবিতাটো যেন সন্ধিয়াৰ ধোঁৱা আৰু মন কুঁৱলী সময় কবিতাটো চিত্ৰকল্পৰ প্ৰভাৱ দেখা পাওঁ যত অসংলগ্ন ভাৱৰ চাকনৈয়াত বিভিন্ন চিত্ৰই খেলা কৰি থাকে। হেম বৰুৱাৰ কবিতা (?) আৰু মৰহা পাপৰিও আধুনিকতাবাদক প্ৰতিনিধিত্ব কৰে।

সাম্প্ৰতিক কালৰ হীৰেণ ভট্টাচাৰ্য্য আৰু নিৰ্মলপ্ৰভা বৰদলৈ দুয়োগৰাকী কবিয়ে ভাব-বস্তু আৰু প্ৰকাশ ভংগীৰ পিনৰ পৰা নিজা ব্যক্তিত্ব আৰু বৈচিত্ৰ্যৰ বাবে স্বীকৃতি লাভ কৰিছে। চিত্ৰকল্পবাদৰ প্ৰভাৱ পৰা হীৰেণ ভট্টাচাৰ্য্যৰ এটা উল্লেখযোগ্য কবিতা হ'ল—

মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য

কবিৰ অনুভূতিত মৃত্যুও ভাস্কৰ্য্যৰ দৰে এটা শিল্প কিয়নো মৃত্যুৱে জীৱনৰ সৌন্দৰ্য্য বঢ়াইছে, মৃত্যু আছে বুলিয়েই জীৱন ইমান মধুৰ। নিৰ্মলপ্ৰভা বৰদলৈৰ "এটা স্কেচ" 'বন ফৰিঙৰ ৰং', ভবেন বৰুৱাৰ "কঠোৰ" হৰেকৃষ্ণ ডেকাৰ "উত্তৰ পুৰুষ', মোহনকৃষ্ণ মিশ্ৰৰ 'মাহেকীয়া কবিতা' চিত্ৰকল্পবাদৰ নিদৰ্শন।

চিত্ৰকল্পবাদী ৰীতিৰ আদৰ্শই আমাৰ আধুনিক কবি গোষ্ঠীক নিঃসন্দেহে ৰোমাণ্টিক কবিতাৰ ভাবোচ্ছাস আৰু শিথিল আংগিকৰ পৰা কবিতাক মুক্ত কৰাত সহায় কৰিছে। বিশেষকৈ আধুনিক অসমীয়া কবিতাত যথা-যথ চিত্ৰৰ ভাষাৰ প্ৰয়োগ, বাক সংযম, দৃঢ় গাঁঠনি ইত্যাদি লক্ষণবোৰ বহুত পৰিমাণে চিত্ৰকল্পবাদী ৰীতিৰেই প্ৰত্যক্ষ নাইবা পৰোক্ষ প্ৰভাৱৰ ফল বুলি কব পাৰি। ত্ৰই দৰে যুদ্ধোত্তৰ কবিৰ কবিতা সমূহত প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদে এক নতুন যুগৰ সূচনা কৰিছে।

* * *

# শিক্ষানুষ্ঠানত পৰিৱেশৰ প্ৰভাৱ আৰু প্ৰদূষণ

শ্ৰীবিনোদ দেৱ চৌধুৰী।
স্নাতক প্ৰথম বাৰ্ষিক।

ইতিমধ্যে বিড়িয়াইৰ পৰা মুহূৰ্ত্তলৈকে গতানুগতিকতাৰে চলি আহিছে এটি অনুষ্ঠান বা প্ৰতিষ্ঠান। সেয়েহে বৰ্ত্তমানেও আজি উপলব্ধি কৰিব পাৰি যে ইতিহাসৰ সামঞ্জস্যতাৰে বৰ্ত্তমানৰ পদক্ষেপত বা পৰিপ্ৰেক্ষিতত আগুৱাবলৈ হ'লে এটি সুপৰিকল্পিত আৰু সু-পৰিচালিত অৱস্থাৰ অতি প্ৰয়োজন। তাৰ লগে লগে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰা লোক-সকলেও তাৰ প্ৰতি সচেতন হোৱাটো বাঞ্ছনীয়। ইতিহাসৰ জয় জনতাৰে পৰিপূৰ্ণ হৈ পৰিছিল অসম দেশ। নানা জাতি উপজাতিৰ সংমিশ্ৰণত গঢ়ি উঠিছিল এই দেশ। সেয়েহে এই দেশবাসীৰ জেউতিৰে আলোকিত কৰিছিল জনতাৰ অন্তৰত নিহিত থকা সকলো মৌলিক সত্তাৰ। সেয়েহে ইতিহাসক আমি নুই কৰিব নোৱাৰো।

মানৱ সভ্যতাৰ নতুন দিগন্তৰ পোহৰলৈ মানুহে ক্ৰমে আগবাঢ়ে। ইতিহাসৰ লগত সামঞ্জস্য ৰাখি বৰ্ত্তমান আহি পাইছে এটি নতুন দিগন্ত বা তৰংগ। মানুহৰ ধ্যান-ধাৰণা আৰু বিকাশৰ সকলো দিশতে শিক্ষা - শিক্ষানুষ্ঠান ইমান নিবিড়ভাৱে জৰিত যে তাক একেটা কথাতে কৈ শেষ কৰিব পৰা নাযায়। 'বায়ু যেনেকৈ সকলো প্ৰান্তৰতে বিদ্যমান হৈ আমাৰ জীৱন ৰক্ষা কৰা স্বত্বেও আমাৰ চকুত নপৰে, সেইদৰে শিক্ষাও আমাৰ জীৱনৰ সকলো দিশতে ব্যাপকভাৱে নিহিত হৈ আছে"। অথচ আমি





তাৰ স্বৰূপ বুজি উঠিব নোৱাৰো।' অৰ্থাৎ দীৰ্ঘদিনৰ বাবে এটি মানৱ শিশুৱে তাৰ মাক-দেউতাকৰ পৰা প্ৰয়োজনীয় বিকাশৰ বাবে শিক্ষা লব লাগে। সেয়েহে গৃহ বা পৰিৱেশক 'শিক্ষাৰ কঠীয়াতলী' বুলি বৰ্ণনা কৰিব পৰা যায়। এনে বিকাশৰ গতি মন্থৰ যদিও ই ক্ৰমাগত পৰিবৰ্ত্তনশীল আৰু আমাৰ গোটেই জীৱনব্যাপী এনে পৰিবৰ্ত্তন সংঘটিত হয়। সেয়েহে জীৱনক ক্ৰমাগত বিকাশৰ এক বিৰাম-হীন প্ৰক্ৰিয়া বুলিব পাৰি। মানুহৰ সকলো আৰ্জিত জ্ঞান আৰু অভিজ্ঞতা কেৱল মৌখিক অথবা অনুকৰণ ক্ৰিয়াৰ যোগেদি পৰৱৰ্ত্তী বংসধৰ সকলে আয়ত্ব কৰাটো সম্ভৱ হৈ পৰে। তেওঁ-লোকৰ ভাৱ অনুভূতি আৰু ক্ৰিয়া সমূহৰ অস্তিত্ব ভৱিষ্যতৰ বুকুত ৰাখি থৈ যাবলৈ তেওঁলোকে বিচাৰে। সেয়েহে মানৱ সভ্যতাৰ এই দীৰ্ঘ-দিনৰ ইতিহাসৰ অধ্যয়ন কৰিলে আমি দেখিবলৈ পাওঁ যে পশুত্বৰ পৰা মনুষ্যত্বৰ পৰ্য্যায়লৈ উন্নীত হোৱাৰ গুৰিতেই আছে সমবিৱৰ্তন আৰু পৰিবৰ্ত্তনৰ যোগেদি পোৱা শিক্ষা অভিজ্ঞতাৰ ব্যাপক প্ৰভাৱ।

সেয়েহে সুস্থভাৱে জীয়াই থাকিবলৈ এখন মুক্ত আকাশ, নিৰ্মল বায়ু আৰু এটা পৰিষ্কাৰ-পৰিচন্ন পৰিৱেশৰ প্ৰয়োজন। পৰিৱেশ জীৱৰ চিৰ লগৰীয়া। বায়ু, পানী, মাটি, আকাশ, আৰু পাহাৰকলৈ জীৱৰ যি পৰিৱেশ সেই পৰিৱেশ জীৱই দূষিত কৰাটো চিৰাচৰিত। কিন্তু জীৱৰ নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে সেই দূষিত পৰিৱেশক প্ৰকৃতিয়ে শোধন কৰি আহিছে। জীৱজগত আৰু উদ্ভিদ জগতে পাৰস্পৰিক আদান-প্ৰদানৰ দ্বাৰা বিশুদ্ধ বায়ুক দূষিত গেছৰ পৰা ৰক্ষা কৰি আহিছে।

পৃথিৱী আগবাঢ়িল। জনসংখ্যা বৃদ্ধিৰ লগে লগে নগৰ--চহৰ বৃদ্ধি আৰু তাৰ লগে লগে হাবি-বননি কমি আহিল। আৰম্ভ হ'ল উদ্যোগৰ। উদ্যোগিক অগ্ৰগতিৰ ফলত বিশ্বৰ প্ৰাকৃতিক পৰিৱেশ প্ৰদূষিত হ'ল। উদ্যোগি-কৰণৰ লগে লগে অপৰিকল্পিত ভাৱে জধে মধে গছ-গছনি নোহোৱা কৰি পেলালে, ফলত বৰষুণৰ গতি প্ৰকৃতিও সলনি হৈ পৰিল। বায়ুমণ্ডলৰ ওপৰত ছালফাৰ কাৰ্বন আৰু নাইট্ৰ'-জেনৰ ঘন অৱস্থিতি হোৱাত এচিদ, ৰবষুণৰ সৃষ্টি হোৱা দেখা গ'ল। যাৰ ফলাফল প্ৰকৃতিৰ জীৱ-জন্তু আৰু মানৱ দেহৰ বাবে ক্ষতিকাৰক।

প্ৰতিদিনে কয়লা আৰু পেট্ৰ'লৰ দহনত ওলোৱা গেছকে ধৰি কাৰখানাৰ পৰা ওলোৱা গেছ আৰু ধোঁৱাই গোটেই বায়ুমণ্ডল দূষিত কৰে। ইয়াৰ প্ৰভাৱ সকলো ডাঙৰ ডাঙৰ নগৰ চহৰবোৰত পৰিছে। বিশেষকৈ লণ্ডনত ইয়াৰ ফলত মানুহৰ মৃত্যু হৈছে বুলিও গম পোৱা যায়। ভাৰতৰ দিল্লী, বোম্বাই, মাদ্ৰাজ, কানপুৰ, কলিকতা আদি চহৰবিলাকতো ইয়াৰ প্ৰভাৱ নপৰা নহয়। কল-কাৰখানাৰ বৃদ্ধিৰ লগে লগে পেলনীয়া আৱৰ্জনাৰো বৃদ্ধি হৈছে আৰু নৈ, বিল, পথাৰ ইত্যাদিও এইবোৰৰ ফলত উদ্ভিদ আৰু পানী সমূহৰ চৰম অপকাৰ

হৈছে। প্ৰাকৃতিক গেছবোৰ তেল শোধানাগাৰ ইত্যাদিৰ দৰে ঠাই কিছুমানত জ্বলি থকাৰ ফলত বায়ুমণ্ডলৰ উষ্ণতা বাঢ়িছে, ফলত কৃষি কাৰ্য্যত ব্যাঘাত জন্মিছে। আৰু বায়ুত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি গৈছে। এটি ধূলিপূৰ্ণ বাটেৰে দিনে ৰাতিয়ে যান-বাহন অহা-যোৱাৰ ফলত গোটেই পৰিবেশটোৱেই ধূলিময় হৈ ওচৰত থকা গছ গছনিয়ে যেন নিজৰ প্ৰকৃতিৰ ৰূপ হেৰুৱাই পেলাইছে।

যুদ্ধ বিগ্ৰহত হোৱা বোমা, খাৰ-বাৰুদ আদিয়ে বায়ুক দূষিত কৰে। জনসংখ্যা বৃদ্ধিৰ কথালৈ লক্ষ্য কৰি কম মাটিত অধিক উৎপাদনৰ বাবে ৰাসায়নিক সাৰৰ ব্যৱহাৰ, কীটনাশক দ্ৰব্যৰ প্ৰয়োগ অপৰিহাৰ্য্য। কিন্তু ইয়াৰ ব্যৱহাৰে পানী, মাটি বিষাক্ত কৰি পেটৰ অসুখ, লিভাৰৰ অসুখ আৰু বহুতো অচিন ৰোগৰ সৃষ্টি হৈছে। চৰাই-চিৰিকটিৰ উপযুক্ত আহাৰৰ অভাৱত সিহঁতৰ স্বাভাৱিক জীৱন যাত্ৰাত বাধা পৰিল। সেয়েহে আজি কালি আমাৰ চকুৰ আগৰ পৰা বহুতো চৰাই-চিৰিকটি লয়-প্ৰাপ্ত। "শব্দই" বৰ্ত্তমান বায়ু দূষিত কৰিব পাৰে বুলি প্ৰমাণ পোৱা গৈছে। এনে ধৰণৰ নানান কাৰণত আমাৰ পৰিবেশ দূষিত হয়। এই দূষিত পৰিবেশে আমাৰ যে একে দিনাই ক্ষতি কৰে তেনে নহয়। বহুদিন পিছতহে ইয়াৰ ক্ষতিৰ উমান পোৱা যায়।

আজি কালি অস্বাস্থ্যকৰ পৰিবেশ আৰু বিষাক্ত পাৰিপাৰ্শ্বিকতাই পৃথিৱীৰ বাসিন্দা-সকলৰ বাবে আজি হৈ পৰিছে এক ভয়ংকৰ বিভীষিকা। এনে এক মাৰাত্মক পৰিস্থিতি হোৱাৰ এক কাৰণ হ'ল জনগণৰ অসহযোগ অসচেতনতা। সেয়েহে আমি পৰিবেশ সচেতনতাৰ প্ৰতি এক মাৰাত্মক আন্দোলন গঢ়ি তুলিব লাগিব। অৱশ্যে বৰ্ত্তমান প্ৰদূষণৰ সমস্যা বাঢ়ি অহাৰ বিষয়ে বিভিন্ন সভা সমিতিৰ জৰিয়তে আলোচনা-বিলোচনা কৰা হৈছে। "ষ্টুডেণ্টচ চায়েন্স ছচাইটিয়ে" ১৯৭৯ চনত প্ৰতিস্থা হোৱাৰ পৰাই এই সমস্যাৰ প্ৰতি সচেতন হোৱাটো মন কৰিব লগীয়া।

সচাঁ কথা, বিজ্ঞানৰ প্ৰগতিৰ যুগত প্ৰকৃতিৰ বুকুৰ পৰা মানৱ কল্যাণৰ বাবে সম্পদ আহৰণ কৰিব লাগিব। উদ্যোগ ব্যৱসায় কেন্দ্ৰও গঢ়িব লাগিব। প্ৰকৃতি নহলেও নহয়, বিজ্ঞান নহলেও নহয় আৰু আমিবোৰো জীয়াই থাকিব লাগিব। কিন্তু পৰিকল্পিতভাৱে উন্নত যন্ত্ৰ-পাতিৰ দ্বাৰা মানৱ আৰু প্ৰকৃতিৰ মাজত ভাৰসাম্য ধ্বংস নমটোৱাকৈ প্ৰচেষ্টা নচলালে মানৱ কল্যাণৰ পৰিৱৰ্ত্তে সেইবোৰ চৰম অকল্যাণহে হব।

শস্য শ্যামলা অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ অৱস্থা এই ক্ষেত্ৰত অৱনতি হোৱা দেখা গৈছে। গছ-গছনিয়ে যেনেকৈ অক্সিজেন তৈয়াৰ কৰে ঠিক তেনেকৈ বিষাক্ত গেছ হজমো কৰিব পাৰে। সেউজ সপ্তাহ, বন মহোৎসৱ পৰিবেশ দিৱস প্ৰদূষণ নিয়ন্ত্ৰণ আদি শব্দবোৰ, প্ৰচাৰবোৰ কাৰ্য্যক্ৰমবোৰৰ আৰু পাঠ্যক্ৰমবোৰৰ





প্ৰতি সৰ্বসাধাৰণে মূৰো নঘমায় আৰু উদ্বিগ্নও নহয়। এইবোৰ কাৰ্য্যক, প্ৰচাৰক চৰকাৰী অনুষ্ঠান হিচাবে নলৈ প্ৰত্যেকে বিবেচনা কৰিব লাগে। অৰণ্যৰ সংৰক্ষণৰ ভাষণ বহুত দিয়া হয়; আনহাতে নিধনো কৰি থাকে সেই ভাষণ দাতা ব্যক্তি বা গোষ্ঠীয়ই। এনেকুৱা ক্ষমতাৰ ৰাজনীতি কৰা ব্যৱসায়ী নেতৃত্ব সকলে বৰ্ত্তমান তথা ভৱিষ্যতৰ উত্তৰাধিকাৰ সকলক পঙ্গুৰ দেহ মনৰ অধিকাৰী কৰাত পৰোক্ষভাৱে বৰঙণি যোগায়। সাধাৰণ মানুহৰ প্ৰদূষণৰ কাৰণত জীয়াতু ভগোৱাৰ অধিকাৰ কৰো নাই। যিসকলে জল, স্থল, বায়ু প্ৰদূষণ কৰি সাধাৰণ মানুহক তিল তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিছে, সেই সকলক কঠোৰ হাতেৰে দমন কৰিবলৈ লাগে। ৰাইজক ইয়াৰ প্ৰতি সচেতন তথা সবল কৰি তুলিব লাগে।

মহানগৰীতেই মন্ত্ৰী, বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ কৰ্মকৰ্ত্তা সকল থাকে, প্ৰদূষণ নিয়ন্ত্ৰণৰ বিষয়া সকল থাকে, বিজ্ঞানী থাকে, সাংবাদিক, সচেতন নাগৰিক, বুদ্ধিজীৱী সকল থাকে। কিন্তু এই মহানগৰীৰ জঘন্য পৰিবেশত জীয়াই থাকিবৰ বাবে প্ৰতি খোজে সংগ্ৰাম চলাব লগা হোৱা হতভগীয়া চহৰবাসী আজি অসহায়ৰ জ্বালা যন্ত্ৰণা নীৰৱে ভুগিব লাগিছে। যদিহে উন্নত সৎপথ, পাহাৰৰ টিলাৰ মাটি খনাটো বন্ধ নহয়, ভূ-গৰ্ভৰ নলাৰ সুব্যৱস্থা, আৱৰ্জনা অপসাৰণৰ আধুনিক ব্যৱস্থা, পৰিষ্কাৰ পানী সৰহবৰাহ, বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ ইত্যাদিক আওকাণ কৰাৰ ফলত চহৰীয়া জীৱন যাপন সকলো ফালৰ পৰাই দুঃখ দায়ক হৈ উঠিছে।

সেয়েহে সকলোৱে এক গোট হৈ শিক্ষা, শিক্ষানুষ্ঠান আৰু নৈবোৰক এহাতে প্ৰদূষণ মুক্ত কৰি ৰাখিবলৈ আৰু আনহাতে নিয়ন্ত্ৰণ কৰিবলৈ তৎপৰ হওঁক। তেতিয়াহে প্ৰাকৃতিক সম্পদৰ সদব্যৱহাৰ হব আৰু মানৱ কল্যাণমুখী হব। শিক্ষা ক্ষেত্ৰটো সচেতন নাগৰিক সকলে দূষিত পৰিবেশৰ প্ৰতি সচেতনতাৰ বাবে এক সৰ্বাত্মক আন্দোলন গঢ়ি তোলাত সক্ৰিয়ভাৱে সহযোগ কৰি মানৱ জাতিক বচাওঁক।

* * *

# অংকীয়া নাট আৰু মহাপুৰুষ শংকৰদেৱৰ ইয়াত প্ৰভাৱ

শ্ৰীনৱ কুমাৰ শৰ্ম্মা।
স্নাতক প্ৰথম বৰ্ষ।

অসমৰ নৱ বৈষ্ণৱ আলোড়নৰ অন্য এক উল্লেখযোগ্য অৱদান হৈছে অঙ্কীয়া নাট নৱবৈষ্ণৱ আলোড়নৰ প্ৰৱৰ্ত্তক মহাপুৰুষ শংকৰদেৱকেই অঙ্কীয়া নাটৰো প্ৰৱৰ্ত্তক ৰূপে আখ্যা দিয়া হয়। তেওঁৰ পূৰ্ববৰ্তী কালত অসমত অঙ্কীয়া নাট ৰচনাৰ কোনো নিদৰ্শন পোৱা নাযায়। শংকৰদেৱৰ পিচত মাধৱদেৱ, গোপাল আতা, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ প্ৰমুখ্যে বহুতো সন্ত-মহন্তই অংকীয়া নাট ৰচনা কৰে। পৰৱৰ্তী কালত বৈষ্ণৱ সত্ৰত সত্ৰাধিকাৰ ৰূপে প্ৰতিষ্ঠিত হোৱাৰ আগতে অন্ততঃ এখন অংকীয়া নাট বাধ্যতামূলকভাৱে ৰচনা কৰিব লাগিছিল। অন্যথাই সত্ৰাধিকাৰ পদত অধিষ্ঠিত হোৱাৰ সেই সুবিধা হেৰুৱাইছিল। ইয়ে বৈষ্ণৱ সমাজত অংকীয়া নাটৰ সমাদৰ আৰু সামাজিক ভূমিকাৰ স্পষ্ট নিদৰ্শন দাঙি ধৰে।

দৰাচলতে নাটক বা নাট্যানুষ্ঠান ভাৰত তথা অসমতো নতুন নহয়। পুতলানাচক যদি প্ৰাচীনতম নাট্যানুষ্ঠান ৰূপে স্বীকৃতি দিয়া হয়, তেনেহলে শংকৰদেৱে অংকীয়া নাট ৰচনা কৰাৰ বহুকাল আগৰেপৰা অসমত লোকনাট্য সদৃশ পুতলানাচৰ প্ৰচলন আছিল। পণ্ডিতসকলৰ মতে ওজাপালি নৃত্যও অংকীয়া নাটতকৈ প্ৰাচীন অসমীয়া থলুৱা নাট্যানুষ্ঠান। চৰিত পুথিৰ পৰা জনা যায় যে শংকৰদেৱ মাধৱদেৱ উভয়েই ওজাপালি নৃত্যত অংশ গ্ৰহণ কৰিছিল আৰু তাৰ মাধ্যমত ধৰ্ম প্ৰচাৰৰ দিহা কৰিছিল। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে শংকৰদেৱে অংকীয়া নাট ৰচনা কৰাৰ ক্ষেত্ৰত পুতলানাচ আৰু ওজাপালি নৃত্যৰপৰা যথেষ্ট সমল তথা প্ৰেৰণাও লাভ কৰিব পাৰিছিল।





কোনো কথা, কাৰ্য্য বা অনুষ্ঠান অহৈতুক ভাৱে উদ্ভৱ বা প্ৰৱৰ্ত্তন নহয়। অংকীয়া নাটো অহৈতুক বা আকস্মিক ভাৱে প্ৰৱৰ্তন হোৱা নাছিল। মহাপুৰুষ শংকৰদেৱে সুদীৰ্ঘ বাৰ বছৰ কাল ঘূৰি সমগ্ৰ ভাৰতব্যাপী তীৰ্থ পৰ্যটন কৰি ঘূৰি অহাৰ পিচত হে অংকীয়া নাট ৰচনা কৰিবলৈ আৰু অভিনয় কৰিবলৈ লৈ ছিল। শংকৰদেৱৰ জীৱন্ত কালত আন নহলেও বিশেষকৈ পণ্ডিত সমাজত সংস্কৃত নাটক আৰু লগতেই সংস্কৃত ভাষাৰ বিপুল সমাদৰ আছিল। সেই সময়ত ভাৰতবৰ্ষত প্ৰান্তে প্ৰান্তে লোকনাট্য আৰু পৰম্পৰাগত নাটকৰো সমাদৰ আছিল। শংকৰদেৱে তীৰ্থ পৰ্যটন কৰি ঘূৰি ফুৰা সময়ত বংগ আৰু উৰিস্যাত 'যাত্ৰা' উত্তৰ প্ৰদেশত 'ৰামলীলা', অন্ধ্ৰত 'কুছিপুড়ী', তামিলনাডুত 'ভাগৱত-মেলা', কৰ্ণাটকত 'যক্ষগান,, কেৰেলাত 'কথাকলি', কাশ্মীৰত 'ভান্দাপথৰ', ৰাজস্থানত 'খ্যাল', গুজৰাতত 'ভৱই', মহাৰাষ্ট্ৰত 'তামশা', হিমাচল প্ৰদেশত 'কৰিয়াল' প্ৰভৃতি নাট্য অনুষ্ঠানৰ প্ৰচলন আছিল।

অসমৰ অংকীয়া নাটকক এক বিৰাট সমন্বয় বুলিব পাৰি। ই প্ৰাচীন অসমীয়া থলুৱা লোক অনুষ্ঠান, মধ্যযুগীয় ভাৰতীয় লোক নাট্যানুষ্ঠান আৰু সংস্কৃত নাটকৰ সমন্বয়ত গঢ় লৈ উঠিছে। অংকীয়া নাটে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মনোনয়ন সাধনৰ প্ৰতিও গুৰুত্ব দিছিল। সংস্কৃত নাটকৰ দৰে অংকীয়া নাটো মধ্যযুগীয় শ্ৰেণী সমাজতেই ৰচনা হৈছিল।। সকলো শ্ৰেণীৰ মানুহৰ মনোনয়ন সাধিব নোৱাৰিলে নাটক সফল নহব বুলি বিবেচনা কৰিয়ে অংকীয়া নাটতো পূৰ্বৰঙ্গ আৰু তাণ্ডৱনৃত্য সংযোগ কৰিছে। লগতে নান্দী, আমুখ, প্ৰৰোচনা, শ্লোক, মুক্তিমংগল ভটিমাও ইয়াত সংযোগ কৰিছে। অংকীয়া নাটৰ ঘাই লক্ষ্য হৈছে ভক্তিধৰ্ম প্ৰচাৰ কৰা। ইয়াৰ মূল চৰিত্ৰ হ'ল— স্বয়ং ভগৱান শ্ৰীকৃষ্ণ বা শ্ৰীৰামচন্দ্ৰ। ভাৰতবৰ্ষত দেৱতাৰ ভাষা সংস্কৃত। অকল পণ্ডিত লোকৰ কাৰণে মহাপুৰুষ শংকৰদেৱে অংকীয়া নাট ৰচনা কৰা নাছিল আৰু অকল জনগণৰ কাৰণেও অংকীয়া নাট ৰচনা কৰা নাছিল। পণ্ডিত অপণ্ডিত, জ্ঞানী-অজ্ঞানী সকলো শ্ৰেণীৰ তুষ্টি বা আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখিহে মহাপুৰুষ শংকৰদেৱে অংকীয়া নাট ৰচনাত মনোনিবেশ কৰিছিল। শংকৰদেৱে সন্তৱ দেৱতাৰ মান্য আৰু সমাজৰ আৱশ্যকতা এই দুয়োটাৰ ওপৰত দৃষ্টি ৰাখিহে অংকীয়ানাটত কৃত্ৰিম 'ব্ৰজাৱলী' ভাষাৰ ব্যৱহাৰ কৰিছিল। অংকীয়া নাট ৰচনা কৰা সময়ৰ সামঞ্জস্যলৈ লক্ষ্য ৰাখিয়ে মহাপুৰুষ শংকৰদেৱে ইয়াত সংস্কৃত শ্লোক সংযোগ কৰিছে আৰু নৃত্য গীতৰো প্ৰচুৰ সমাবেশ ঘটাইছে। আচলতে অন্যান্য প্ৰান্তত শংকৰদেৱে নিজ চকুৰে দেখি

অহাৰ পিছতহে অংকীয়া নাট ৰচনাত হাত দিছিল আৰু তাত সংস্কৃত শ্লোকৰ লগতে নৃত্য গীতৰো প্ৰচুৰ পৰিমাণে সংযোগ সাধিছিল।

অন্যান্য ৰচনাৰ দৰে অংকীয়া নাটৰ মাজেদিও বৈষ্ণৱ আলোড়নৰ মূলতত্ত্ব সমূহ চিত্ৰিত কৰি ভক্তি ধৰ্ম্মৰ প্ৰতি জনগণক আকৃষ্ট কৰাই বৈষ্ণৱ কৰি নাট্যকাৰ সকলৰ মূল লক্ষ্য আছিল। 'চিহ্নযাত্ৰা' বোলা শংকৰদেৱৰ পোন প্ৰথম নাটখনৰ উল্লেখ চৰিত পুথিত হে পোৱা যায়; তাৰ কোনো লিপি এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। 'চিহ্নযাত্ৰা' খনৰো লক্ষ্য আছিল কৃষ্ণকেই ভগবান ৰূপে প্ৰতিপন্ন কৰি কৃষ্ণ ভক্তিৰ প্ৰতি জনগণক আকৃষ্ট কৰা। 'পত্নীপ্ৰসাদ' 'কালিয়দমন' 'কেলিগোপাল' "পাৰিজাত হৰণ" ৰুক্মিণী হৰণ আৰু 'ৰামবিজয়' মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা আৰু উদ্ধাৰ হোৱা অংকীয়া নাটক। এই আটাইকেইখন নাটৰ মাজেদি শংকৰদেৱে ভগবান কৃষ্ণ বা ৰামৰ প্ৰতি ভক্ত সমাজক আকৃষ্ট কৰিবলৈ যত্নপৰ হৈছে।

'পত্নীপ্ৰসাদ' ত মহাপুৰুষ শংকৰদেৱে ব্ৰাহ্মণ পত্নীসকলক বুলিছে— শৌচাচাৰহীন। অথচ এই শৌচাচাৰহীনা নাৰী সকলেই কৃষ্ণক পৰমেশ্বৰ ভগবান বুলি অনুভৱ কৰি কৃষ্ণ ভক্তিত আপ্লুত হৈছে। 'পত্নীপ্ৰসাদ' ত নাট্যকাৰে সমাজৰ বাস্তৱ ৰূপৰ উপলব্ধি ·· সম্পূৰ্ণকৈ চিত্ৰিত কৰিছে আৰু ভক্তিৰ প্ৰতি আকৃষ্ট কৰিবলৈও যেন সফলভাৱেই যত্নপৰ হৈছে। একান্ত ভক্তই যেন ব্ৰাহ্মণ পত্নীসকলৰ সদৃসেই হব লাগিব; সাংসাৰিক বা সামাজিক সকলো বাধা নেওচি ভগৱানত আশ্ৰয় বিচাৰিব পাৰিব লাগিব। সংসাৰ বিমুখিতাই হল বৈষ্ণৱ ধৰ্মৰ অন্যতম মূলতত্ত্ব। আন এটা গুৰুত্বপূৰ্ণ দিশও শংকৰদেৱে 'পত্নীপ্ৰসাদ'তে উন্মোচন কৰিছে — ঘৰ-সংসাৰ ত্যাগ নকৰাকৈয়ো ব্ৰাহ্মণ পত্নী সকলৰ দৰে ঘৰতে থাকি, গৃহকৰ্ম আদিৰ মাজেদিও ভগবানৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰি ভক্তিত আপ্লুত থাকিব পাৰি।

'কালিয়দমন' নাটখন শংকৰদেৱৰ সামন্ত-যুগীয়া সমাজ ব্যৱস্থাৰ ভেটিত ৰচিত। নাটখনৰ কাহিনী ভাগ ৰূপকধৰ্মী। 'কালিয়দমনত' নাট্যকাৰে সংসাৰখনকেই এটা বিষময় হ্ৰদ ৰূপে কল্পনা কৰিছে বুলি কব পাৰি। শংকৰদেৱে বৰগীতত "বিষয় বিষধৰ বিষে জড়জৰ" বুলি গোৱাৰ দৰে আচলতে 'কালিয়দমন'তো সংসাৰৰ বিষ বাসনাৰ প্ৰতি আগ্ৰহী লোকক বিষধৰ কালিয় নাগ ৰূপে চিহ্নিত কৰিছে। সি এনে বিষাক্ত যে--স্বয়ং শ্ৰীকৃষ্ণ ভগৱানকো বিতত কৰি তুলিছে। শংকৰদেৱে অতি কৌশলেৰে 'কালিয়দমন' ৰ মাজেদি... সামন্তযুগীয়া সমাজ ব্যৱস্থাক স্পষ্ট ৰূপে চিত্ৰিত কৰিব পাৰিছে।

শংকৰদেৱৰ 'কেলিগোপাল' নাটকত কৃষ্ণ গোপীৰ ৰাসলীলাৰ মাজেদি ধৰ্মীয় দৃষ্টিত প্ৰেম-ভক্তিৰ চূড়ান্ত বিকাশ ঘটিছে। গোপীসকল কিন্তু কৃষ্ণৰ বিবাহিতা বা স্বকীয়া পত্নী নহয়, পৰকীয়াহে। স্বকীয়া,, বিবাহিতা পত্নীৰ





লগত মিলনত বাধা নাই। গতিকে বিশেষ উদ্বেগ বা উৎকণ্ঠাৰো তাত স্থান নাই। কিন্তু পৰকীয়া প্ৰেমত সততে সামাজিক বাধা-বিঘিনিয়ে দেখা দিয়ে। পৰকীয়া প্ৰেমত বিশেষ উদ্বেগ বা উৎকণ্ঠা থাকে কাৰণেই যেন তাৰ মাজত এক বিশেষ মাদকতা বা আকৰ্ষণো থাকে। কৃষ্ণ গোপীৰ প্ৰেম পৰকীয়া, অবৈধ। কিন্তু নাট্যকাৰ মহাপুৰুষ শংকৰদেৱে কৃষ্ণ-গোপীৰ পৰকীয়া প্ৰেমৰ ছবি চিত্ৰিত কৰি তাৰ মাজেদি যেনিবা ভক্ত ভগৱানৰ সম্পৰ্কক ৰূপকৰ সহায়ত চিত্ৰিত কৰিছে।

মহাপুৰুষ শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটকতো অলৌকিক ভগৱৎ প্ৰেমৰ প্ৰকাশ পাইছে। ৰুক্মিণী আদৰ্শ ভক্তা আছিল কাৰণেহে যেনিবা কৃষ্ণই ৰুক্মিণীৰ মনোবাসনা পূৰণৰ অৰ্থে হৰণ কৰি নিছিলহি। কিন্তু সাধাৰণ দৃষ্টিত বিচাৰ কৰিলে ইয়াতো লৌকিক প্ৰেমৰ প্ৰতিচ্ছবিহে চিত্ৰিত হৈছে আৰু কৃষ্ণ কামাতুৰ পুৰুষ ৰূপে চিত্ৰিত হৈছে। সুৰভি ভাটৰ মুখে কৃষ্ণই ৰুক্মিণীৰ ৰূপৰ বৰ্ণনা শুনাৰ লগে-লগে শ্ৰীকৃষ্ণই আন চিন্তা বাদ দি একমাত্ৰ ৰুক্মিণীকে দিনে ৰাতিয়ে স্মৰণ কৰিব ধৰিলে। তেতিয়া এইজন কৃষ্ণক লৌকিক দৃষ্টিত কামাতুৰ পুৰুষ নুবুলি নোৱাৰি। অৱশ্যে নাট্যকাৰ শংকৰদেৱে 'ৰুক্মিণী হৰণ' নাটত চিৰন্তনীয় মানৱীয় অনুভূতি সমূহ লৌকিকতাৰ ভেটিত চিত্ৰিত কৰাতেই বেছি গুৰুত্ব দিছে। ৰুক্মিণীৰ পিতৃ ভীষ্মক, মাতৃ শশীপ্ৰভা, ককায়েক ৰুক্মবীৰ, হিতৈষী ব্ৰাহ্মণ-বেদনিধি, কৃষ্ণ ৰুক্মিণীৰ বিধিৱৎ দ্বাৰকাত অনুষ্ঠিত বিয়া, বিয়াৰ অন্তত দৈৱকী আৰু শশীপ্ৰভাৰ বিয়েনীমেল আদি সম্পূৰ্ণৰূপে বাস্তৱ সমাজৰ ভেটিত চিত্ৰিত আৰু সুন্দৰ অনুভূতিপূৰ্ণ লৌকিক ছবি মহাপুৰুষ শংকৰদেৱে দৰ্শক-পাঠকৰ আগত দাঙি ধৰিবলৈ সক্ষম হৈছে।

'পাৰিজাত হৰণ' নাটৰ নায়ক কৃষ্ণক নাট্যকাৰ শংকৰদেৱে নাৰদ, বসুমতী আৰু ইন্দ্ৰৰ স্তুতিৰ মাজেদি পৰমেশ্বৰ ভগৱান ৰূপেই প্ৰতিষ্ঠা কৰিছে। কিন্তু 'পাৰিজাত হৰণ'ত কৃষ্ণৰ চৰিত পৰম ঈশ্বৰ নহয়, তিৰোতা হেৰুৱা এজন লৌকিক পুৰুষৰ ৰূপতহে চিত্ৰিত হৈছে। অসমৰ লোক সমাজত নাৰদ মানেই টুটুকীয়া লগোৱা লোক। নাৰদৰ সদৃশ একাংশ মানুহ আছে যিয়ে টুটুকীয়া লগাই প্ৰায়েই অথন্তৰৰ সৃষ্টি কৰিব বিচাৰে। কোনা-কোনো ক্ষেত্ৰত অহৈতুক ভাৱে, কেৱল হাঁহি-কৌতুকৰ সৃষ্টিৰ অৰ্থে আৰু আন কোনো-কোনো ক্ষেত্ৰত পৰিকল্পিত ভাৱে ব্যক্তিগত বা দলগত স্বাৰ্থ সিদ্ধিৰ বাবেও নাৰদে কাৰ্য্য কৰে। শংকৰদেৱৰ 'পাৰিজাত হৰণ' ৰ টুটুকীয়া নাৰদ প্ৰায় সংস্কৃত নাটকৰ হাস্যমধুৰ বিদূষক চৰিত্ৰৰ অনুকৰণত চিত্ৰিত। আনহাতে, 'পাৰিজাত হৰণ' ৰ নাৰদ পাঁচালী কবি মনকৰৰ মনসা কাব্যৰ নাৰদৰ অনুকৃতিও হব পাৰে। পাৰিজাতৰ কাৰণে সত্যভমা ৰোষান্বিতা হোৱাৰ দৰে সতিনীৰ সৌভাগ্য সহিব নোৱাৰি প্ৰায়েই বিদ্বেষৰ জুইত

পুৰি মৰে। ৰুক্মিণীৰ দৰে উদাৰ মনা সতিনী সমাজত বিৰল; ৰুক্মিণীৰ অনন্য সাধাৰণাহে। মহাপুৰুষ শংকৰদেৱে এই ছবি হয়তো 'হৰিবংশ'ৰ কাহিনীৰ অবলম্বনতেই চিত্ৰিত কৰিছে।

'ৰাম বিজয়' কেৱল মহাপুৰুষ শংকৰদেৱৰ সৰ্বশেষ ৰচনাই নহয়, ই তেওঁৰ শেষ বয়সৰে ৰচনা। ইয়াতো নাট্যকাৰ শংকৰদেৱে ৰাম সীতাৰ নগ্ন শৃংগাৰ ছবি চিত্ৰিত কৰিবলৈ দ্বিধা-বোধ কৰা নাই। ৰাম-সীতা, তৰুণ-তৰুণী; তেওঁলোকৰ চিত্তত যৌন বাসনা উপজা বা তাক চৰিতাৰ্থ কৰিব বিচৰা তেনেই স্বাভাৱিক। কিন্তু নাটকখনত যৌন সম্ভোগৰ ছবি চিত্ৰিত কৰাৰ আৱশ্যক নাছিল। ইয়ে নাটকীয় কাহিনীৰ সৌষ্ঠৱ বৃদ্ধি কৰা নাই। 'পত্নীপ্ৰসাদ' আৰু 'কালিয় দমন' নাট ৰচনা কৰা কালত নাট্যকাৰ শংকৰদেৱে ৰাজতন্ত্ৰৰ পৃষ্ঠপোষকতা লাভ কৰা নাই। সেই সময়ত তেওঁ ৰাজতন্ত্ৰৰ লগত প্ৰকৃততে সংঘাটৰত হৈ হে আছিল। কিন্তু 'কেলিগোপাল' নাট ৰচনা কৰাৰ পৰা তেওঁ কোচ ৰাজতন্ত্ৰৰ পৃষ্ঠ-পোষকতা লাভ কৰিবলৈ সমৰ্থ হৈছিল। ভাৰতীয় বিশ্বাসত দেৱতা তেত্ৰিশ কোটি। এই সকলোৰে মূল পৰমব্ৰহ্ম পৰেমেশ্বৰ। পৰমব্ৰহ্ম হ'ল-স্বয়ং শ্ৰীকৃষ্ণ বা শ্ৰীৰামচন্দ্ৰ। 'ৰামবিজয়' নাটকৰো চৰিত্ৰ সৃষ্টিত নাট্যকাৰ মহাপুৰুষ শংকৰদেৱৰ স্বকীয় প্ৰভাৱ পৰিলক্ষিত হয়।

মহাপুৰুষ শংকৰদেৱে "কৃষ্ণস্তু ভগৱান স্বয়ং" আদৰ্শ আগত ৰাখিয়ে অংকীয়া নাট ৰচনা কৰিছিল। গোপাল আতা, ৰামচৰণ ঠাকুৰ, দৈত্যাদি ঠাকুৰ প্ৰমুখে নাট্যকাৰ সকলেও এই ৰীতি নিষ্ঠাৰে পালন কৰিছে। এনেকি চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালত ৰচনা কৰা লক্ষ্মীনাথ দাসৰ 'কুমৰ হৰণ' নাটতো ইয়াৰ ব্যতিক্ৰম ঘটা নাই। সদৌ শেষত বিষ্ণুৰ (শ্ৰীকৃষ্ণৰ) শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি দৰ্শক-পাঠক বা ভক্তসমাজক বৈষ্ণৱী আদৰ্শৰে আপ্লুত কৰি বৈষ্ণৱ ধৰ্মত দীক্ষা কৰোৱাই মহাপুৰুষ শংকৰদেৱৰ অংকীয়া নাট ৰচনাৰ ঘাই উদ্দেশ্য আছিল বুলি কব পাৰি।

— x —





# সাংস্কৃতিক জগতত জ্যোতিপ্ৰসাদৰ অৱদান

শ্ৰীঅমূল্য কুমাৰ কলিতা
স্নাতক তৃতীয় বাৰ্ষিক।

সাংস্কৃতিক জগতত জ্যোতি প্ৰসাদে এক উল্লেখযোগ্য বৰঙণি যোগায় থৈ গৈছে যে তেওঁৰ নাম ললেই অসমৰ জনগণৰ মনমুকুৰত তেওঁৰ এক অপৰিমেয় সাংস্কৃতিক অৱদানে হেন্দোলনি তোলে। তেওঁৰ নামটো আমি আৰু এক প্ৰকাৰে উল্লেখ কৰিব পাৰো যে তেওঁ আটাইতকৈ মানুহৰ জগতত মানুহৰ অৱদান শিল্পী জ্যোতি প্ৰসাদ বুলিও এক মহাৰ স্বৰূপে। তেওঁৰ কলাত্মক অন্তৰ্দৃষ্টি ইমান ওতঃপ্ৰোতোভাৱে সূক্ষ্ম আৰু তীব্ৰতৰ আছিল যে তেওঁৰ গীত; নাট, নৃত্য, বাদ্যযন্ত্ৰ, অভিনয় প্ৰবন্ধ, গল্প কবিতা আদিও তেওঁ অসমীয়া সাংস্কৃতিক জগতত সংস্কৃতিৰ সকলো দিশতে এক অভিনৱ বিকাশ সাধন কৰিছিল। সেয়েহে জ্যোতিপ্ৰসাদ দেৱক সাংস্কৃতিক জগতত এক কথাত অভিন্ন ব্যক্তি বুলি কব পাৰি। তেওঁ তেওঁৰ নিজৰ লিখনিৰ প্ৰতিভাৰে আৰু সৃজনাত্মক দৃষ্টিভংগীৰে অসমীয়া সমাজত, গায়ক, নাট্যকাৰ, চিত্ৰ শিল্পী, অভিনেতা আৰু পৰিচালক, কৰি সুৰকাৰৰ জন্ম দিলে। সেয়েহে তেওঁ নিজেই আছিল সুসাহিত্যিক, নাট্যকাৰ, চিত্ৰকাৰ, পৰিচালক, অভিনেতা। অকণমান সূক্ষ্ম মগজুৰে ভাবি চালেই এক আচৰিত যেন লাগে এজন মানুহৰ ভিতৰতেই ইমানবোৰ শিল্পীসত্বা লুকাই থাকিব পাৰে — যি জনাই নেকি গান লিখে, গাই সুৰ দিয়ে, নকৈ লিখে, অভিনয় কৰে কিন্তু সেই জনাই আৰু নানান উপলব্ধিৰে গভীৰতাৰ

প্ৰতিঘাত-সংঘাট, সংগ্ৰামৰ ছবি আঁকে।

তেখেতে কৈছিল যে শিল্পী মই তিনিও কালৰ যে অতীতৰ, বৰ্ত্তমানৰ আৰু অনাগত ভৱিষ্যতৰ। সেয়ে কৈছিল, "যে মই শিল্পী হৈ সংস্কৃতিৰ কথা কওঁ, সংঘাট আৰু সংগ্ৰামৰ কথা কওঁ ! সপোন দেখি ছবি আঁকা শিল্পীৰ দ্বাৰা আজি আৰু আমাৰ কাম নহয়। আমি যদি প্ৰকৃত অসমীয়া তেন্তে আজি আমি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।'

তেওঁৰ সৃষ্টিৰ খোজে খোজে আজি অনুৰণিত হৈছে দুষ্কৃতিৰ বিৰুদ্ধে সংস্কৃতিৰ তূৰ্যধ্বনি। তেখেত আছিল ৰূপান্তৰৰ প্ৰতীক, আৰু প্ৰগতিশীল দৃষ্টিভংগীৰ প্ৰতিভূ। সেয়েহে তেওঁ গাইছে,—

'যুগান্তৰৰ মই
মই ভাৰতৰ
বিপ্লৱী বীৰ্য্য।'

সোতৰ শতিকাৰ পৰা কুৰি শতিকাৰ আগসোতৰ শতিকাৰ পৰা কুৰি শতিকাৰ আগছোৱালৈকৈ যেতিয়া গোটেই পৃথিৱী অন্ধকাৰৰ গভীৰতাত সংস্কৃতিৰ কোবাল সোঁতৰ পথ ৰুদ্ধ কৰিবলৈ চক্ৰান্তকাৰীৰ চক্ৰান্ত আৰু ষড়যন্ত্ৰকাৰীৰ ষড়যন্ত্ৰই অসমৰ ৰাজ্যজুৰি এক মহাপ্ৰলয়ৰ আৱিৰ্ভাৱ কৰি দিলে, ঠিক সেই সময়তেই এইজনা মহানপুৰুষে অসমীয়া ডেকা বীৰ বীৰংগণাৰ জাতীয় চেতনাবোধ জগাই তুলি অসমীয়া ভাষা, কৃষ্টি, সংস্কৃতিৰ পুনৰুদ্ধাৰৰ বাবে প্ৰচেষ্টা কৰে। যেতিয়া নেকি অসমখন বিদেশীয়ে ৰাজত্ব কৰি একশাসনাধিষ্ঠিত থাকে তেতিয়া ঠিক সেই সময়ত অৰ্থাত ১৯৪২ চনৰ পৰাই ৰহুতো ভাৰতীয়ই শ্বহীদ হব লগা হয় দেয়ে তেওঁ অসমীয়া ৰাইজক বঙলুৱা ভাষা দলিয়াই অসমীয়া খাটি সাজপাৰ পিন্ধিবলৈ উদ্গণি দিয়ে। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ খবৰ পাই তেওঁ বিলাতৰ পৰা লগে লগে দৌৰি আহে আৰু সন্ত্ৰাসত লিপ্ত হয়। তাৰ পিচত যেতিয়া এই আন্দোলনে কিছু পৰিমাণে গা কৰি উঠিব ধৰে তেতিয়াই বগা চাহাবৰ মানুহে (সৈন্যই) কেবাজনো মহান ব্যক্তিক গুলীয়াই হত্যা কৰে আৰু আন বহুতো লোকক কাৰাৰুদ্ধ কৰে যেনে মৃত্যু হয় ভগেশ্বৰী, মকুন্দ কাকতি, মদন, কুশল কোঁৱৰ, কনকলতা আদি কিন্তু তথাপিও এই আন্দোলন নিঃশেষ হৈ নাযায়। সেয়েহে তেওঁ (জ্যোতিপ্ৰসাদে) 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই' সুমধুৰ কিন্তু বজ্ৰৰ দৰে শক্তিমান স্বৰেৰে ধ্বনিৰে অসমীয়া ডেকক প্ৰেৰণা যোগায় দি আন্দোলনৰ আগশাৰীত ঠিয় হয়। এই জনা মহান জ্যোতিয়ে যেতিয়া চৈধ্যবছৰ বয়সতে দেখিছিল অসমৰ গাৱে ভূঞে, চহৰে-নগৰে অকল বঙালী নাট, বঙালী গান, বঙালী কিতাপ তেতিয়া তেওঁ বিপ্লৱী আৰু সংগ্ৰামী মনটোৱে এইবোৰ সহিব নোৱাৰিলে। তেওঁ বিদ্ৰোহৰ অগ্নিৰ প্ৰকৃত দৃষ্টি ভংগীমাৰে এক স্ফুলিংগৰো জন্ম 'শোনিতকুঁৱৰীৰ'। এইখন নাটকত আমাৰ অসমীয়া সংস্কৃতিৰ প্ৰতি থকা অন্তৰ্নিহিত ধাউতিবোৰ প্ৰকাশ পাইছে। তাৰ পিচতে তেওঁৰ জীৱনৰ, অসমীয়া নাট্য সাহিত্যৰ শ্ৰেষ্ঠত্বৰ নাটক 'কাৰেঙৰ লিগিৰী', প্ৰকাশ পায়। এইখন নাটকৰদ্বাৰাই তেওঁ গোড়া সমাজখন আৰু প্ৰগতিশীল ব্যক্তিৰ ব্যক্তিত্বৰ মাজৰ সংঘৰ্ষ ফুটাই তুলিছে। ইয়াৰ পৰা কব পাৰি যে তেওঁ সমাজৰ কলা আৱৰণখন গুচাই নতুনত্বৰ সন্ধান দি অসমীয়া সমাজত নতুন আদৰ্শৰ বীজ ৰোপন কৰিছে। তাৰ পিচতে তেওঁৰ 'লভিতা' নামৰ নাটকখন প্ৰকাশ পালে। 'লভিতা' নাটকৰ মাজেৰে তেওঁ সমাজত বাস কৰা উত্তেজিতপূৰ্ণ ডেকা গাভৰুৰ মাজত এক বিদ্ৰোহৰ বীজ সিঁচি দিলে। এইদৰেই তেওঁ সত্য-শিৱ আৰু সুন্দৰৰ ৰূপক হৈ সংস্কৃতি খনৰ স্ফুৰণেৰে সমাজত তথা অসমকে ধৰি সংস্কৃতিৰ জয়ধ্বজ উৰুৱাবলৈ তেওঁ হাতে কামে লাগি গৈছিল। তেওঁৰ নিমাতিকন্যা, ৰূপালীম আদি নাটকৰ চৰিত্ৰ সৃষ্টিটো তেখেতৰ বৈচিত্ৰাপূৰ্ণ অৱদান পোৱা যায়। এই চৰিত্ৰবোৰৰ কিন্তু বিকাশ নাই আছে মাথোন প্ৰকাশহে। জ্যোতিপ্ৰসাদৰ এইবোৰ নাটকে আমাৰ অসমীয়া সমাজৰ সংকীৰ্ণতা, অন্ধবিশ্বাস ৰীতিনীতি, অসমীয়া সাজপাৰ, আ-অলঙ্কাৰ চাৰুকলা স্থাপত্য আদি সকলোৰে তেখেতে সমাবেশ ঘটাইছে। নাটকত মঞ্চৰ অট্টালিকা সজোৱা দৃশ্যত অসমীয়াকাঠ, বাহঁৰ স্থাপত্যতা, হেঙুল-হাইতাল, পিক্ দানি, তামোলৰ বটা, ফুলাম গামোচা আদিৰ উপ- স্থিতিও মন কৰিবলগীয়া। আ অলংকাৰ সমূহৰ ভিতৰত আৰু সাজ-পাৰৰ ক্ষেত্ৰতো মন কৰিবলগীয়া যেনে ১। মুগাৰ ২। কোচদিয়া ৰিহা-মেখেলা ৩. গামখাৰু ৪। লোকপাৰ ৫। ঢোলবিৰি ৬। জোনবিৰি ৭। গলপতা আদি নানান অসমীয়া সাজ-সজ্জাত নাটকীয় চৰিত্ৰত পাৰিধান কৰাইছিল।

জ্যোতিপ্ৰসাদ আমৰণ শিল্পী আছিল। তেওঁ দেশৰ জনতাক প্ৰাণভৰি ভাল পাইছিল, আৰু সেই ভাল পোৱাৰ অনুপ্ৰেৰণাতে জীপ্ লৈ উঠিছিল এক নৱতম সংস্কৃতিৰ। তেওঁ অসমীয়াক এটি জাতি হিচাপে আৰু সুন্দৰৰ লগত সংস্কৃতি গঢ়ি তোলাত তেওঁ এজন ভাল খনিকৰ উপাধি লাভ কৰিছে। যেতিয়া ১৯৩২ চনৰ ২৬ জানুৱাৰী তাৰিখে জাতীয় পতাকা উত্তোলন কৰিবলৈ পুনৰ সমদলেৰে আন্দোলন আৰম্ভ কৰিছিল তেতিয়া তেওঁ আন্দোলনত জপিয়াই পৰা সমদলটোক জাতীয় সংগীত শিকাইছিল। জ্যোতিপ্ৰসাদে ইয়াৰ পৰা এটাই মাত্ৰ বিচাৰিছিল যে তেওঁ দেশৰ জনতাক ভাগ-ভাগ নহৈ একত্ৰিত হবলৈ আৰু প্ৰতিটো খোজতে মিল, গীতত অসমীয়া শুদ্ধ উচ্চাৰণ। গীতত শুদ্ধ উচ্চাৰণ আৰু মিল দেখিবলৈ তেওঁ বহুতো গীত ৰচনা কৰিছিল। যিবোৰ গীত প্ৰত্যেক অসমীয়াৰে অতিকৈ আদৰৰ। সেয়ে তেওঁ ৰচনাও কৰিছে আৰু গাইছে যে

'বিশ্ব বিজয়ী ন-জোৱান
বিশ্ব ন-বিজয়ী-জোৱান

সন্মুখ সমৰ ভয় নকৰিবি
মুক্তি যুজাৰু হুচিয়াৰ
হুচিয়াৰ।'

তেওঁ গীতসমূহৰ সুৰৰ লগত অসমীয়াৰ প্ৰাণৰ সংযোগ আছে। তেওঁৰ সৃষ্টিকামী সংগীতবোৰৰ লোক সংগীতৰ সুৰ মাধুৰ্য্যতা আৰু বৈচিত্ৰ্যও এক প্ৰাচুৰ্য্যতা লাভ কৰিছে। তেওঁ ৰচনা কৰা গীতসমূহ ঠলতে কবলৈ হলে নিভাজ অসমীয়া লোক সংগীতৰ সুৰ, বিহু-বিয়া নাম, আইনাম, নিচুকনি গীত, বিহু গীত, লোক সংগীতৰ সুৰ, বৰগীত আদি প্ৰায়বোৰ সৃষ্টিকৰ্ত্তাৰ মূলতে হৈছে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ অৱদান। তেওঁ গীত গোৱা যন্ত্ৰসমূহ হ'ল থলুৱা বাদ্যযন্ত্ৰ, বাঁহী, টকা, গগণা, পেপা, ঢোল, খোল, দোতাৰা, নাগাৰা, ডবা, ভোৰতাল আদি ব্যৱহাৰ কৰি তেওঁ গীত গাইছিল। সমগ্ৰ অসমীয়া জাতিটোক তেওঁ সংস্কৃতিৰ একাত্ববোধ প্ৰতিষ্ঠা কৰিবলৈ তেওঁৰ প্ৰয়াস আছিল একমাত্ৰ তাৎপৰ্য্যপূৰ্ণ। তেওঁ চুটিগল্পৰও সংকলন ঘটাইছে যত আছে অসমীয়া জন জীৱনৰ মূলত ভাষা আৰু বাস্তৱ জীৱনৰ চিত্ৰ।

অসমৰ যদি বোলছবিৰ জন্মদাতাৰূপে আমি পাওঁ বা কব পাৰি সেয়া হব পোনতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱ। নিজৰ একঃ প্ৰোত প্ৰচেষ্টা অশেষ পৰিশ্ৰম আৰু এক-মাত্ৰ মন্ত্ৰৰ ফলত তেজপুৰৰ ভোলাগুৰি চাহ বাগিচাত 'চিত্ৰবন ষ্টুডিঅ' আৰু 'চিত্ৰলেখা মভিটোনত' তেওঁৰ প্ৰথম প্ৰচেষ্টাত অসম বুৰঞ্জীৰ নাৰীত্বৰ গৌৰৱোজ্জল কৰিবলৈ জয়মতীৰ কাহিনীটোক বোলছবিত ৰূপ দিয়ে। সেয়েহে অসীম ধৈৰ্য্য আৰু কষ্টেৰে তেওঁ ১৯৩৫ চনৰ ১০ মাৰ্চত 'জয়মতী' বোলছবিক ৰাইজৰ আগত উলিয়াই। তেওঁ এইখন উলিওৱাৰ একমাত্ৰ বৈশিষ্ট্য ( উদ্দেশ্য ) আছিল অসমীয়া সংস্কৃতিৰ আদৰ্শবোৰ আৰু নিদৰ্শন অসমীয়া সমাজত এক দাপোণ স্বৰূপে দাঙি ধৰা। ইয়াৰ পিচতে তেওঁ তেজপুৰত লগে-লগে 'জোনাকী' চিনেমা হল স্থাপন কৰে, আৰু তাত বোলছবিৰূপে ইন্দ্ৰমালতীক অসমীয়া সমাজত সংস্কৃতিৰ পৰি অৰ্থ্যাৎ ব্যাস বঢ়াই তুলিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে তেওঁ তেওঁৰ গানে কবিতাই, কথাই ভাষাই, নাটে সংকেতে অসমীয়া জাতিক অনুপ্ৰেৰণা দি সংস্কৃতিৰ পূৰ্ণ প্ৰকাশ ঘটাই অসমৰ আত্মাক তেওঁ জীয়াই ৰাখিছে। সেয়েহে কব পাৰি যে বৰ্ত্তমানেও লুইতৰ পাৰৰ ডেকা ল'ৰাহঁতে নিজকে আৰু নিজৰ দেশ মাতৃক জীয়াই ৰাখিবলৈ জ্যোতি-প্ৰসাদৰ সেই আমৰণ অগ্নী বাণীলৈ ডেকাচামে মনত পেলাইছে। জ্যোতিপ্ৰসাদৰ জ্যোতিয়ে পৃথিৱীৰ পৰা অজ্ঞান এন্ধাৰ দূৰ কৰি সংস্কৃতিৰ জ্যোতিৰেই গোটেই জগতখনক আৰু সমাজ-খনক লগতে তেওঁৰ ঘৰখনকো পোহৰাই তুলি-বলৈ চেষ্টা কৰিছিল।

জ্যোতি প্ৰসাদে গোটেই অসমীয়া জাতিটোকে নিভাজ অসমীয়া কৰি বিশ্বমুখী কৰিবলৈ তেওঁ





## ঃঃ এৰিষ্টটলৰ ( Aristotle ) ট্ৰেজেডিৰ দৃষ্টিভংগীৰে হাজৰিকাৰ পৌৰাণিক নাটক নৰকাসুৰঃ এটি আলোচনা ঃঃ

প্ৰৱক্তা, শ্ৰীনলিন চন্দ্ৰ মজুমদাৰ। [ অসমীয়া বিভাগ ]
নিৰ্মল হালৈ মহাবিদ্যালয় পাটাছাৰকুছি।

অসমীয়া নাট্য সমালোচক সকলে ৺অতুল চন্দ্ৰ হাজৰিকাদেৱৰ সময়ৰ পৰাই আধুনিক অসমীয়া নাট্য সাহিত্যৰ 'স্বৰ্ণযুগ' আৰম্ভ হোৱা বুলি মত পোষন কৰিছে। এওঁৰ পূৰ্ব্বতে ৰচিত নাটকৰ ভাষা, সংলাপ, ৰস - অনুভূতি, চৰিত্ৰ সৃষ্টি আৰু কাহিনী গঠন অত্যন্ত শিথিল আৰু সেইবোৰে অসমীয়া দৰ্শক পাঠকৰ নাট্যক্ষুধা পুৰাব পৰা নাছিল। ফলত অসমীয়া দৰ্শক পাঠকে বঙ্গালী অনুদিত নাটৰ আশ্ৰয় লৈছিল। এই সন্ধিক্ষনতে অতুল চন্দ্ৰ হাজৰিকাদেৱে বঙ্গালী নাটকৰ প্ৰভাৱৰ পৰা অসমীয়া সমাজক মুক্ত কৰাৰ প্ৰয়াস আৰু প্ৰতিশ্ৰুতিৰে কলম হাতত তুলি লৈ বিয়াল্লিছ খনবো ওপৰ নাটক ৰচনা কৰি অসমীয়া নাট্য সাহিত্যত অভিলেখ স্থাপন কৰিছিল। স্কুলীয়া জীৱনৰ শেষ বছৰত ৰচনা কৰা 'বেউলা' নাটকৰ জৰিয়তে নাট্য প্ৰতিভাৰ বিজয় ঘোষনা কৰে আৰু কলেজীয়া জীৱনৰ প্ৰথম বছৰত ৰচনা কৰা 'নৰকাসুৰ' নাটকৰ জৰিয়তে নাট্য সাহিত্যত এক আলোড়নৰ সৃষ্টি কৰে।

অতুল চন্দ্ৰ হাজৰিকাদেৱৰ পৌৰাণিক নাটক 'নৰকাসুৰ'ক ট্ৰেজেডিৰ দৃষ্টিভঙ্গীৰে আলোচনা কৰিবলৈ ললে প্ৰথমে ট্ৰেজেডিৰ উৎপত্তি আৰু ইয়াৰ বিষয়বস্তু সম্পৰ্কে মনতে প্ৰশ্নৰ উদয় হয়? পোন প্ৰথমে গ্ৰীছ দেশত ট্ৰেজেডিৰ উৎপত্তি আৰু প্ৰচলন হয়। আমি পাই আহিছো পৃথিৱীৰ সকলো দেশতে

ধৰ্মোৎসৱক কেন্দ্ৰ কৰি নাট, নাটক, অভিনয়ৰ উৎপত্তি হৈছে। গ্ৰীক সকলে তেওঁলোকৰ ধৰ্মীয় দেৱতা 'ডাইনুছিয়াছ'ৰ সন্তুষ্টিৰ কাৰণে গুণানুকীৰ্ত্তন কৰি গোৱা গীতবোৰৰ পৰাই ট্ৰেজেডিৰ উৎপত্তি হয়। পৰবৰ্ত্তী কালত সি পৃথিৱীৰ অন্যান্য সাহিত্যলৈ প্ৰসাৰিত হয়। ট্ৰেজেডিৰ প্ৰতিশব্দ বিয়োগাত্মক নাইবা বিষাদাত্মক বুলি কোৱা হয় যদিও যিকোনো করুণ কাহিনী এটাৰ দুখঃ জনক পৰিণতিয়ে ট্ৰেজেডিৰ সৃষ্টি কৰিব নোৱাৰে। ট্ৰেজেডি হবলৈ হ'লে সি মানৱ জীৱন বোধ সমৃদ্ধ গম্ভীৰ তত্বযুক্ত হব লাগিব।

গ্ৰীক দাৰ্শনিক, সমালোচক এৰিষ্টটলৰ (Aristotle) মতে—' Tragedy is a repre- entation (imitation) of an action which is Serious, Complete in itself and of certain limited length; it is expressed in speech made beauti- fnll in different ways in different part of the play; it is acted; not recited; and by exciting pity and fear it gives a healthly outlet to such emotion'—এৰিষ্টটলৰ এই সূত্ৰটিয়ে আমাক ট্ৰেজেডি নাটকৰ বৈশিষ্ট কিছুমানলৈ দৃষ্টি পেলাই দিয়ে। সেই বৈশিষ্টবোৰ হ'ল—

ক] ট্ৰেজডিৰ কাহিনী জীৱনত ঘটি থকা ঘটনাৰ ঘটনাময় ৰূপায়ন হব লাগিব।

খ] ট্ৰেজেডিক ঘটনাৰ ৰূপ যথেষ্ট গুৰুত্ব পূৰ্ণ আৰু গুৰুগম্ভীৰ হোৱা প্ৰয়োজনীয়।

গ] ট্ৰেজেডি স্বয়: সম্পুৰ্ণ আৰু পৰিস্মিত আকৃতিৰ হব লাগিব।

ঘ] ট্ৰেজেডিৰ ভাষা শিক্ষা সৌন্দয্য মণ্ডিত আৰু ছন্দোগীতে মুখৰিত হোৱা প্ৰয়োজন।

ঙ] ট্ৰেজেডিৰ প্ৰকাশ ৰীতি সংলাপ নিৰ্ভৰশীল; ই বৰ্ণনাত্মক হব নালাগিব।

চ] ট্ৰেজেডিৰ লক্ষ্য হ'ল ভয় আৰু করুনাৰ উদ্ৰেক কৰি দৰ্শক পাঠকৰ চিত্ত অনুৰূপ অনুভূতিৰ পৰা মুক্ত কৰা।

ইয়াৰোপৰি ট্ৰেজেডিৰ নায়ক সম্পৰ্কেও এৰিষ্টটলৰ নিজা সূত্ৰ আছে। তেওঁৰ মতে ট্ৰেজেড়িৰ নায়কজন এনে হব লাগে যাৰ জনসমাজত খ্যাতি আৰু বিপুল সমৃদ্ধি আছে। সাধাৰণ দুৰ্বলতা বা ভুলৰ কাৰণে নায়কৰ জীৱনলৈ আহে অসীম দুখ বিপৰ্য্যয়। ট্ৰেজেডিৰ নায়ক সচৰাচৰ দুই ধৰণৰ দ্বন্দৰ দ্বাৰা আক্ৰান্ত হয়। অন্তঃদ্বন্দ আৰু বহিঃদ্বন্দ। নায়কে যেনেকৈ বাহিৰৰ বিৰোধৰ লগত সংগ্ৰামত নিয়োজিত হয়; তেনেকৈ নিজৰ মনৰ লগত নিজে যুদ্ধত প্ৰবৃত্ত হয়। এই দুই ধৰণৰ দ্বন্দত নিষ্পেষিত নায়কে বাৰে বাৰে পৰাভুত হৈ বাৰে বাৰে মুৰ তুলি উঠিবলৈ আপ্ৰাণ চেষ্টা কৰে। নায়কৰ এই আত্মা প্ৰতিস্থাৰ প্ৰচেষ্টাতে নায়কৰ মহত্ব নিৰ্ভৰ কৰে। ট্ৰেজেডিত মানুহৰ বীৰ্যঘোষিত হয় কাৰণে ট্ৰেজেডিৰ দুখ বেদনাই ও আমাক আনন্দ দিয়ে। এবাৰ ক্ৰস্টীৰ





ভাষাত কবলৈ গলে—"Tragedy satisfies us even in the moment of distre- ssing."

ট্ৰেজেডিৰ দৃষ্টিভংগীৰে আলোচনা কৰিবলৈ লোৱা ৺অতুল চন্দ্ৰ হাজৰিকাৰ 'নৰকাসুৰ' এখন পৌৰানিক নাটক। পূৰ্ব প্ৰস্তুত কাহিনী এটাৰে নাট্যকাৰে নাটকখন ৰচনা কৰিছে; আৰু সেই কাহিনীৰ লগত নাট্যকাৰে স্বকল্পিত ঘটনা চৰিত্ৰ কিছু সংযোগ কৰিছে। পৌৰাণিক নাটক এখনৰ কাহিনী সমালোচনা কৰিবলৈ যোৱাটো টান কাম। কাৰণ ইয়াৰ কাহিনী পূৰ্বৰে পৰা জন-সাধাৰণৰ মাজত প্ৰচলিত; আৰু ই দৰ্শক পাটকক আকৰ্ষণ কৰিব বা কৌতুহলৰ সৃষ্টি কৰিব নোৱাৰে। কিছু কথা হল (এৰিষ্টটলে কোৱামতে) এই শ্ৰেণীৰ নাটকৰ কাহিনীৰ ৰূপ যথেষ্ট গুৰু গম্ভীৰ ধৰণৰ যে হয় সেই কথা সকলোৱে মানি লব লাগিব। অৱশ্যে ঘটনাৰ স্বয়ং সম্পূৰ্ণ পৰিমিতাচাৰৰ ক্ষেত্ৰত নাট্যকাৰ ইয়াত সকল হব পৰা নাই। আনহাতে ট্ৰেজেডিৰ ভাষা প্ৰসংগত এৰিষ্টটলে শিল্প সৌন্দৰ্য্য মণ্ডিত ছন্দোগীতে মুখৰিত যি ভাষাৰ কথা উল্লেখ কৰিছে, সেই ক্ষেত্ৰত 'নৰকাসুৰ'ৰ ভাষা ছন্দোবদ্ধ আবেগ সঞ্চাৰী।

পৌৰাণিক নাটকৰ একোটা বিশেষ উদ্দেশ্য থাকে আৰু সেই উদ্দেশ্য আগত ৰাখি নাট্যকাৰে নাটক ৰচনা কৰে। ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰা জয় পৌৰানিক নাটকৰ যিহেতু উদ্দেশ্য, সেয়ে এনে শ্ৰেণীৰ নাটকত যি ট্ৰেজিক ঘটনাৰ সমাবেশ হয় তাৰ মাজেৰে দৰ্শকে করুনা বা সহানুভুতিৰ ভাৱ প্ৰদৰ্শন নকৰে। অধৰ্মৰ করুণ পৰিণতিয়ে আমাৰ মনত ভয়ৰ সঞ্চাৰ কৰে সচা; কিন্তু করুণাৰ উদ্ৰেক কৰিবলৈ সমৰ্থ নহয়।

জনকৰ ঘৰত পালিত হোৱা 'নৰকৰ আত্মপ্ৰতিস্থাৰ অস্বাভাৱিক প্ৰচেষ্টা আৰু মাতৃৰ অপমানৰ প্ৰতিশোধ লোৱা' এই দুই ভাৱৰ ওপৰত ভেটি কৰিয়েই নাটকখনে পৰিনতিৰ পথত আগবাঢ়িছে। 'কালিকা পুৰান'ৰ কাহিনী আৰু নাট্যকাৰৰ স্ব-কল্পিত কাহিনীয়ে নাট্য-কাহিনীক মধুৰ আৰু জটিল কৰি তুলিছে। এৰিষ্টটলৰ সূত্ৰমতে কাহিনীৰ এটা সৌষ্ঠৱপুৰ্ণ ৰূপ থাকিব লাগে। কাহিনীটোৰ আদি আৰু অন্ত খেলি মেলি বা বিসদৃশ হব নালাগে। স্ব-কল্পিত আৰু পৌৰাণিক কথাবস্তু ৰচনাৰ ক্ষেত্ৰত নাট্যকাৰৰ যি পৰিমিতাচাৰৰ প্ৰয়োজন 'নৰকাসুৰ'ৰ ক্ষেত্ৰত তাৰ অভাৱ দেখা যায়। পৌৰাণিক কাহিনীটো নিৰ্ব্বাচন কৌশলৰ দ্বাৰা সংহতিপূৰ্ণ ৰূপ দিবলৈ নাট্যকাৰ হাজৰিকাই চেষ্টা কৰাহেতেন; তেতিয়া নাটকখনৰ সৌন্দৰ্য্য আৰু বৃদ্ধি পালেহেতেন।

ট্ৰেজিক নাটকৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে চৰিত্ৰৰ ওপৰত। এৰিষ্টটলৰ ক্ষেত্ৰতো এই দিশটোৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। এৰিষ্টটলে ট্ৰেজিক নাটকৰ চৰিত্ৰৰ ক্ষেত্ৰত

চাৰিটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। সেই কেইটা হল —

(ক) চৰিত্ৰটো ভাল হব লাগিব।

(খ) চৰিত্ৰটো সদায় যথাযথ আৰু প্ৰয়োজনীয় হোৱা আৱশ্যক। অৰ্থাৎ নাটকৰ চৰিত্ৰ সমুহ কাহিনীৰ উপযোগী হব লাগিব।

(গ) চৰিত্ৰ সদায় বাস্তৱানুৰাগ হব লাগিব। অৰ্থাৎ চৰিত্ৰৰ আচাৰ ব্যৱহাৰ অস্বাভাৱিক হব নালাগে।

(ঘ) চৰিত্ৰ সদায় সামঞ্জস্যপূৰ্ণ হব লাগে। চৰিত্ৰ বিশেষৰ যি মৌলিক ধৰ্ম কোনো পৰিস্থিতিতে নাটকৰ পৰিণতিৰ প্ৰয়োজনত তাৰ ব্যতিক্ৰম হব নালাগে।

বিশ্ব সাহিত্যৰ শ্ৰেষ্ঠ ট্ৰেজেডি সমুহৰ ওপৰত দৃষ্টি পেলালে এবাৰ কথা ওলাই পৰে; সকলো শ্ৰেষ্ঠ গুনেৰে গুনান্বিত একোজন নায়কৰ চৰিত্ৰৰ একোটা ট্ৰেজিক ক্ৰুটি থাকে। অবাৰিত ভাবে প্ৰতিফলন হয়, যাৰ পৰিণতি স্বৰূপে নাটকৰ কাহিনীবস্তুত বিষাদময় সমাপ্তিৰ অভি-মুখী হৈ পৰে। অকল সেয়ে নহয়, বহু সময়ত আদৰ্শ চৰিত্ৰও সাধাৰণ হত্যাকাৰীৰ ভুমিকাত অৱতীৰ্ন হয়। বাৰ্নাড শ্বয়ে (Bernard Shaw) এবাৰ কথা কৈছিল — 'হত্যাকাণ্ড যেতিয়া হত্যাকাৰীৰ দ্বাৰা সংঘটিত হয় সেয়া মাথো থানা, আদালতৰ চাঞ্চল্যকৰ ঘটনাহে, ট্ৰেজেডি নহয়'। দৰাচলতে সংঘাটৰ আৱৰ্ত্তত যেতিয়া দেৱতুল্য নায়কৰ হাতত দোষী নিৰ্দ্দোষী নিৰ্বিশেষে বহুজনৰ তেজেৰে ৰাঙলী হৈ উঠে সেয়ে ট্ৰেজেডি।

এৰিষ্টটলৰ চৰিত্ৰ সম্বন্ধে থকা এই সুত্ৰই 'নৰকাসুৰ'ক ট্ৰেজিক নায়ক হিচাপে প্ৰতিপন্ন কৰিব পৰা বহুতো সুবিধা আছে। কাৰণ নৰকাসুৰক যেনেদৰে শক্তিৰ অপব্যৱহাৰ কৰা ব্যক্তি তথা অত্যাচাৰী হিচাপে দেখুওঁৱা হৈছে সেই হিচাপে তেওঁ এজন বেয়া মানুহ। আন-হাতে উক্ত নাটকৰ নায়কৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু বিশেষকৈ অন্তঃদ্বন্দৰ অভাৱত চৰিত্ৰটি ট্ৰেজেডি নায়কৰ আসনৰ পৰা বঞ্চিত হৈছে। এই ক্ষেত্ৰত আৰু এটা কথা বিশেষভাৱে মন কৰিবলগীয়া যে পৌৰাণিক নাটকৰ ক্ষেত্ৰত ট্ৰেজেডি বা কমেডি আখ্যা দিয়াটো কিছু কঠিন হৈ পৰে। কিয়নো এইবোৰ নাটকত বাহ্যিক ক্ৰিয়াৰ হুলস্থুল আৰু ঘটনাৰ বহুলতাই নাটকৰ কেন্দ্ৰস্থ ভাৱ আচন্ন কৰি নাটকীয় সন্ধি নষ্ট কৰে। তদুপৰি নাটকীয় সম্বন্ধৰ কথাই ঘটনা বাচি লব নোৱাৰে; কাৰণে গোটেই ৰামায়ন বা মহাভাৰতৰ কাহিনীকে নাট্যবস্তুৰ সামৰি লয় বাবে নাটকীয় সংহতি আৰু কেন্দ্ৰ বিন্দু হেৰাই যায়। 'ধৰ্মৰ জয়, অধৰ্মৰ পৰাজয় এই ভাৱৰ প্ৰাধান্য, কৰ্মফলবাদ, ভক্তিবাদৰ বিশ্বাসৰ বাহুল্যই পৌৰাণিক নাটক সমূহক ট্ৰেজডিৰ শাৰীলৈ যোৱাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰে। নৰকাসুৰ চৰিত্ৰত ট্ৰেজেডিৰ নায়ক হব পৰা উপযুক্ত সম্ভাৱনা আছিল; আনকি অন্তঃদ্বন্দ পৰিস্ফুট কৰাৰ ক্ষেত্ৰতো যথেষ্ট সুবিধা আছিল। কিন্তু ধৰ্মভীৰু ভাৰতীয় মানুহে নৰকাসুৰৰ মই-মতালী, ব্যভিচাৰ আদিক এৰিষ্টটলৰ ট্ৰেজেডিৰ চৰিত্ৰ সম্বন্ধে থকা সুত্ৰৰ দৃষ্টিভংগীৰে চাবলৈ টান পায়। তেওঁৰ অধঃপতন আৰু পাপৰ প্ৰায়শ্চিত্ত; তদুপৰি শ্ৰীকৃষ্ণৰ হাতত মৃত্যুবৰণ কৰি তেওঁ চৰম পুৰু-ষাৰ্থ লাভ কৰিলে। গতিকে তাত ট্ৰেজিক নায়কৰ বিশেষত্ব কত? 'নৰকাসুৰ' নাটকত এই কথা প্ৰকাশ পাইছে এনেদৰে —

শ্ৰীকৃষ্ণ — যোৱা বীৰ!

বৈকুণ্ঠত নিজ স্থান কৰা অধিকাৰ।

ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহি-নীত ভাৰতীয় দৰ্শনৰ কাৰণে প্ৰকৃত ট্ৰেজেডি নাই। এনে কাহিনীক ট্ৰেজেডিৰ পৰ্য্যায়লৈ নিবলৈ হলে কাহিনীৰ চৰিত্ৰবোৰৰ নিজাকৈ ৰূপ দিব লাগিব। আনহাতে ভক্তি ধৰ্ম অধৰ্ম, পাপ পুণ্যৰ প্ৰতীক নিৰপেক্ষ দৃষ্টিৰ আখ্যান তৰিত হব লাগিব। এনে ক্ষেত্ৰতহে পৌৰা-ণিক নাটকত ট্ৰেজেডিৰ সুত্ৰ গ্ৰহনযোগ্য হব।

এনেবোৰ আলোচনাৰ পৰা কব পাৰি ৺অতুল চন্দ্ৰ হাজৰিকাৰ পৌৰাণিক নাটক 'নৰকাসুৰ' প্ৰকৃত ট্ৰেজেডি নহয়; ই এখন মেলোড্ৰামাহে।

—×—

—x—

# আশাৰ ৰংঘৰ

শ্ৰীহৰিনাৰায়ণ শৰ্মা
তৃতীয় বাৰ্ষিক (কলা)

গাৰুটোত মূৰ গুজি কান্দি উঠিল সংগীতাই। সমগ্ৰ শৰীৰ আৰু মন তাইৰ অৱশহৈ পৰিল যে আৰু এক গভীৰ নৈৰাশ্যত আৰু বিষাদমন অনুভূতিয়ে তাইৰ সমগ্ৰ শৰীৰ আৰু মন আছন্ন কৰি তুলিলে। গুৰিৰে পৰা সমস্ত কথাখিনি ভাবি চাবৰ চেষ্টা কৰিলে যদিও তাই ঠিকমতে সজাই উলিয়াব পৰা নাই। তথাপিও তাইৰ মনৰ সন্মুখত বহুতো স্পষ্ট আৰু অস্পষ্ট বিগত কিছু আৰু ঘটনাৰ খণ্ড খণ্ড চিত্ৰ কিছুমান তাইৰ মনলৈ আহিল। অযুত স্বপ্ন আৰু তাইৰ মনলৈ আহিল। অযুত স্বপ্ন আৰু সম্ভাৱনাৰ যিখন ছবি তাইৰ ওঠৰ বছৰীয়া জীৱনত আঁকিছিল সেইখন এনেদৰে ছিন্ন-ভিন্ন হৈ যাব বুলি তাই এদিনলৈও ভৱা নাছিল। অথচ সেইটোৱে ঘটিল।

ভুল মানুহে কৰে। কিন্তু সেই ভুলৰ পৰিণতি তাইৰ বাবে ইমান নিৰ্মম আৰু যন্ত্ৰনাদায়ক হ'ব বুলি ভৱা নাছিল। নিজে কৰা ভুলৰ ফল আজি তাই নিজে ভুগিব লগীয়া হোৱাত নিজৰ ওপৰতে ধিক্কাৰ লাগি যায়। এনেকৈ গোটেই জীৱন দুখৰ বোজাটো কাঢ়িব লাগিব বুলি ভয়তে শিয়ৰি উঠে।

আজি দুবছৰ আগৰ ঘটনা। সংগীতাহঁতৰ ঘৰ এনোৱা এখন সৰু গাওঁত। তাই চহৰৰ কলেজৰ ছোৱালী হোষ্টেলত থাকি "প্ৰাক্ বিদ্যালয়' শ্ৰেণী পাচকৰি প্ৰথম বাৰ্ষিকত নাম লিখি পূজাৰ বন্ধত ঘৰলৈ আহিছে। সিহঁতৰ গাওঁত কলেজত পঢ়া ছোৱালী তাইয়ে প্ৰথম। সেয়ে গাওঁৰ মানুহে তাইক অলপ বেলেগ চকুৰে চায়। পূজাৰ বন্ধত ঘৰলৈ নগলে হয়তো আজি তাইৰ দশা এই হবলৈ নাপালেহেতেন। নেজানি নুশুনি বাহিৰে ৰং-চং দেখি ভোল গৈ নিৰনৰ লগত পলাই অহাৰ মজাটো বাৰুকৈয়ে পালে।

নিৰনেও পূজাৰ বন্ধত তিনিবছৰৰ মূৰত ঘৰলৈ আহিছিল। সি উত্তৰ প্ৰদেশৰ কোনোবা এটা 'এৰোড্ৰামত' কাম কৰিছিল হেনো। ঘৰত কেইদিনমান কটাই মাহীয়েকহঁতৰ গাওঁলৈ ফুৰিবলৈ আহিছিল। সি আজলী মাহীয়েকহঁতক পাইলটৰ কাম কৰি থকা বুলি কৈছিল। বহুদিনৰ মূৰত ভাগিনক পাই ঘৰখনত এটা সাধাৰণ হুলস্থূল হোৱাটো স্বাভাৱিক। মাহীয়েকহঁতৰ পাইলটক ক'ত থব ক'ত নথব লাগি পৰিছে। মাহীয়েকে ইতিমধ্যে জীয়েক মণিমাক নাৰিকলৰ লাড়ু বনাব লগাই দিলে। সি অহা কথাটো কেৱল মণিমাহঁতৰ ঘৰখনতে সীমাবদ্ধ হৈ থকা নাছিল। গোটেই গাওঁখনেই জানি গ'ল যে 'হৰিগাওঁবুঢ়াৰ ঘৰত উৰাজাহাজ চলোৱা ড্ৰাইভাৰ আহিছে"। গাওঁৰ মানুহ এটা দুটাকৈ তাক চাবলৈ আহি আছে। নিৰেনৰ গপছ ক্ৰমে বাঢ়ি যায়। মাহীয়েক আৰু গাৱঁলীয়া মানুহবোৰৰ কাণ্ড দেখি তাৰ খুব ভাল লাগে আৰু বেছি গহীন হবলৈ চেষ্টা কৰে।

ভনীয়েক মণিমাৰ গাততো ততেই নাই। তাই নিৰনৰ লগত বৰ ব্যস্ত হৈ পৰিছে। এবাৰ কথাই কথাই নিৰনে মণিমাক সুধিলে — "মণিমা, তোৰ বান্ধৱীজনীৰ বিয়া হৈ গ'ল নেকি অ' ?

'কোনজনীৰ কথানো কৈছা,' — মণিমাই সুধিলে। নিৰনে ক'লে — 'সেই যে এবাৰ ইয়ালৈ আহোঁতে দুয়োকে যে খুব জোকাইছিলো। মনত আছে নে নাই ?

'অ সংগীতাৰ কথা কৈছা ? কেলেইবা মনত নেথাকিব। মই কি ভাবিছিলো জানা — তুমি 'পাইলট' হৈ হয়তো এই সৰু সুৰা কথাবোৰ পাহৰি গৈছা সংগীতাক চোন তুমি ভালকৈ মনত ৰাখিছা। তাই এতিয়া 'প্ৰি-ইউনিভাৰচিটি পাছ কৰি টাউনৰ কলেজত বি,এ, পঢ়ি আছে। পূজাৰ বন্ধত অৱশ্যে ঘৰলৈ আহিছে। চিন্তা নাইদিয়া আবেলি গৈ লৈ আহিম। — "মণিমাই প্ৰায় একে উশাহতে কথা কেইটা ক'লে।

কথামতে কাম। মণিমাই আবেলি গৈ সংগীতাক লৈ আহিল। সংগীতাই মণিমাহঁতৰ ঘৰত কোনোৱা এজন যে পাইলট আহিছে সেইটো তাই গম পাইছে। কিন্তু আগতে লগপোৱা সিহঁতৰ নিৰনদাই যে পাইলট সেইটো তাই ভৱা নাছিল। মণিমাৰ পৰা তাই কথাটো ভালদৰে জানি ল'লে। তাই প্ৰথমতে নিৰনক চিনিবই পৰা নাছিল। আগৰ সেই জধলা নিৰনক আজিৰ এই পৰিবৰ্তিত ৰূপত তাই দেখা পাব বুলি

কল্পনাই কৰা নাছিল। মনিমাই তাইক নিৰনৰ কোঠাত লৈ গৈ 'এয়া নিৰনদা তোমাৰ সংগীতাক লোৱা' বুলি কৈ তাইক নিৰনৰ লগত বহাই দি তাই চাহ কৰিবলৈ গ'ল। সংগীতাক দেখি অলপ সময়ৰ বাবে সি থৰ লাগিল। সংগীতাজনী যে একবাৰে 'প্ৰতিমা'ৰ দৰে হৈ পৰিছে সেই কথা বুজিবলৈ তাৰ বেছি সময় নেলাগিল। আনপিনে ধুনীয়া সাজ পোছাক, গোঁফ, কথা-বতৰা আদি দেখি ভাবিলে সচাঁ কৈয়ে নিৰন একেবাৰে সলনি হৈ গ'ল। এক সলজ্জ অনুভূতিয়ে তাইৰ মুখমণ্ডল ৰংচুৱা কৰি তুলিলে। আৰু তাৰ প্ৰতি এটা আকৰ্ষণ অনুভাৱ কৰিলে। নিৰনে নিজকে তাইৰ বেচি ওচৰ চপাবৰ কাৰণে বহুত মিঠা মিঠা কথা, দুটা এটা ইংৰাজী শব্দ আৰু সংগীতাৰ জ্ঞান আৰু দৃষ্টিৰ অগোচৰত থকা অজস্ৰ কথা ক'লে। নিৰনক দেখাৰ লগে লগে তাই এক আকৰ্ষণ অনুভাৱ কৰিছিলেই আৰু এতিয়া বেছি গভীৰ হৈ পৰিল।

দুদিন পাচত গাওঁখনত এটা বেচ হুল-স্থুলৰ সৃষ্টি হ'ল। নিৰনৰ লগত সংগীতাৰ পলোৱা কথাটো গোটেই গাওঁখনতেই তৎক্ষনাৎ জনাজাত হৈ গ'ল। সকলোৱে হৰিবুঢ়াকে দোষ দিলে। কাৰণ নিৰনক সিহে সিহঁতৰ ঘৰত থাকিবলৈ দি গাঁৱৰ এজনী ছোৱালী নিয়ালে। আকৌ বহুতে সংগীতাৰ মাক দেউতাকক দোষ দিলে। ছোৱালী টাউনত পঢ়োৱাৰ মজাটো পালে। কলেজত পঢ়াতো সহজ ভাৱে লোৱা নাছিল। ইপিনে নিৰনে সংগীতাক পলুৱাই আনি উত্তৰ প্ৰদেশ পালে। সংগীতাৰ আনন্দৰ সীমা নোহোৱা হ'ল। পাইলটৰ ঘৈনীয়েক তদুপৰি গিৰিয়েকৰ লগত লগত বহুতো ঠাইত ফুৰিব পাৰিব। মাক-দেউতাক, গাওঁখন তাইৰ মনত ছবি এখনৰ নিচিনা হৈ পৰিল। কিন্তু বিধাতাই যে তাইৰ কপালত সুখ-শান্তি লিপিবদ্ধ কৰা নাছিল সেই কথা স্বয়ং বিধাতাৰ বাহিৰে কোনেও জনা নাছিল। প্ৰথম প্ৰথম নিৰনে জমাৰ টকাৰে বেচ কেইদিনমান ফূৰ্ত্তিৰে কটালে। সংগীতাৰ ভাগ্যৰ ফেৰাৰে হওঁক বা নিৰনৰ ভাগ্যতে হওঁক সি লটাৰীত টকাও পালে। তাৰে সি এখন টেক্সী কিনিলৈ ভাৰা মাৰিব দিলে। এইদৰে এবছৰ সিহঁত ভালদৰে কোনো কষ্ট নোপোৱাকৈ কটালে। সদায় ৰাতিপুৱা সি 'পাইলটৰ' সাজজোৰেৰে ঘৰৰ পৰা ওলাই যায়। ঘৰতো এজন পাইলটৰ মেজাজতে থাকে। গতিকে তাত কোনো সন্দেহৰ থল নেথাকে। লাহে লাহে নিৰনৰ মুখা খুলিব ধৰিলে। ইপিনে লটাৰীৰ টকাও শেষ হৈ আহিল। টেক্সীখনতো লাভ নোহোৱা হ'ল। সিহঁতৰ পৰিয়ালৰ সংখ্যাও এটা বাঢ়িল। নিৰন প্ৰতিমাৰ সৰু সংসাৰ-খনত ৰুণজুনি আহিল। লগে লগে খৰছৰ সংখ্যাও বাঢ়িল।

পোনতে তাই বিশ্বাস কৰিবলৈ টান পাইছিল। ইমান দিনে তাই যিখন মিছাৰ জালত আৱদ্ধ হৈ আছিল সেই লথা





